কবি আৰু কবিতাৰ
অনন্ত যাত্ৰা



# সহস্ৰ কবিৰ সহস্ৰ কবিতা

## সপ্তম খণ্ড

প্ৰস্তুতি
সংস্কাৰধ্বনি ফাউণ্ডেচন
গুৱাহাটী, অসম

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

প্ৰস্তুতি

সংস্কাৰধ্বনি ফাউণ্ডেচন

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com

# Sahasra kobir Sahasra kobita

– a collection of Assamese poems by Sanskardhwani Foundation.
Guwahati, Assam
Regn No. RS/KAM(M)/263/U/152 OF 2019-2020
Website : www.sanskardhwani.org, E-mail-sanskardhwani@gmail.com

©

**প্ৰথম প্ৰকাশ ঃ জুন, ২০২২**

**প্ৰচ্ছদ ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

**ই-মুদ্ৰক ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

**পৰিকল্পনা আৰু পৰিচালনা**
হিতেশ গোস্বামী

**পৰিচালনা সহযোগী**
গুনীন ফুকন

**বিপণন**
স্পন্দন বৰঠাকুৰ

**পৃষ্ঠপোষক**
হিতেশ গোস্বামী

সংস্কাৰধ্বনি ফাউণ্ডেচন
এটি পঞ্জীয়নভুক্ত বেচৰকাৰী সামাজিক অনুষ্ঠান
**E-mail**-sanskardhwani@gmail.com
**Website :** www.sanskardhwani.org

সংস্কাৰধ্বনি ফাউণ্ডেচন
*Sanskardhwani Foundation*

**সম্পাদনা সমিতি**

**মুখ্য সম্পাদক**
হিতেশ গোস্বামী

**কাৰ্যবাহী সম্পাদক**
উৎপল গোস্বামী
ড° ভাৰ্গৱজ্যোতি চহৰীয়া

**সন্মানীয় সম্পাদক মণ্ডলী**
জোন বৰা
এছ আহমেদ
ৰঞ্জনা পাঠক
চবিন চন্দ্ৰ নাথ
ব্ৰজেন কাকতি
ঊষামনি শইকীয়া
মৌচুমী ৰাজখোৱা
আৰিফা হুছেইন বৰা

**অলংকৰণ**
হিতেশ গোস্বামী

# সহস্ৰ কবিৰ সহস্ৰ কবিতা গ্ৰন্থখনৰ সম্পাদনা সমিতিলৈ আমন্ত্ৰিত

## সন্মানীয় সহঃ সম্পাদক মণ্ডলী

দৈব্যা নাথ
হিৰণ্য লয়
পৰিহাৰ শৰ্মা
ৰাহিদা খানম
জুৰিমনি মুদৈ
কমলাক্ষী বৰা
ৰূপা বৰা দাস
ৰিপুঞ্জয় বৰুৱা
মনোৰঞ্জন বৰা
উত্তম কুমাৰ দত্ত
গৌতম মালাকাৰ
পুলেনৰাজ ডেকা
কাজললতা মেধি
অশ্বিনী তালুকদাৰ
পল্লৱী গগৈ (ইনি)
মানসী বৰুৱা দেৱী
ডালিমী কুলাধিপতি
কিশোৰকুমাৰ কলিতা
বৰ্ণালী ডেকা বৰঠাকুৰ
প্ৰতিভা ভাগৱতী শৰ্মা

## সন্মানীয় সমন্বয়ক মণ্ডলী

অঞ্জু দেৱী
মিণ্টু দাস
প্ৰণব দাস
লিলি বৈশ্য
দিপলু শৰ্মা
মৰমী মুদৈ
শিখা চৌধুৰী
সুজাতা মেধি
বশিষ্ঠ কলিতা
উপেন ডেকা
দীপা শইকীয়া
হিৰণ্য মজুমদাৰ
জাহাঙ্গীৰ আলম
ৰিংকু দেৱী বৰ্মন
চোনিয়া মুক্তিয়াৰ
মামনি পাটোৱাৰী
হৰমোহন কলিতা
পংখীকাজল কায়স্থ
পলৰিকা চৌধুৰী মহন্ত
সংগীতা শইকীয়া পাঠক

**অলংকৰণ**
**সহযোগী সম্পাদক**
অঞ্জন ডেকা
চিণ্টুমনি শইকীয়া

# সূচীপত্ৰ

**বিশ্বাসৰ সমাধি** / নিতু শৰ্মা ১৫
**বৈ বৈ কান্দিছে বিৰহী ৰাধা** / দীপিকা ফুকন১৬
**গালি**/ বিকি নেওগ ১৭
**প্ৰেমৰ এটি কবিতা ফাগুন ফাগুনকৈ লিখা** / শিখা হাতীবৰুৱা ১৮
**'মা'** /জান শইকীয়া ১৯
**কবিতা লিখা নহ'ল তোমাৰ নামত** / ইয়াকুব আলী ২০
**বিলাসী বিষাদ** / গীতাঞ্জলী নিয়োগী ২১
**উপাধি** / আগমনি ফুকন শইকীয়া ২২
**মহাশ্বেতা** / মাইনা গগৈ ২৩
**শৰত ...**/ দেৱী কলিতা ২৪
**তুমি আকাশ হোৱা** / চন্দামিতা চৌধুৰী কলিতা ২৬
**মেঘমল্লা** / ৰুদ্ৰ ৰাজখোৱা ২৭
**সংসাৰ বজাৰ** / অক্ষয় তালুকদাৰ ২৮
**এক ভগ্ন হৃদয়** / হিমাদ্ৰী বৰকটকী ২৯
**হাত** / বিনোদ বড়া ৩০
**বিষন্ন ব'হাগ** / মাইটি কাকতি দাস ৩১
**জাতিংগাৰ এজাক চৰাই** / প্ৰদীপ প্ৰসাদ শইকীয়া ৩২
**চহৰৰ কুঁৱলী** / নিত্যানন্দ শইকীয়া ৩৩
**ব'হাগ** / হীৰা দেৱী ৩৪
**কবিতা** / উদয় কুমাৰ বৰুৱা ৩৫
**পৃথিৱীৰ কোলাত** / নিবেদিতা দাস কলিতা ৩৭
**প্ৰেমৰ বাৰ্তা** / ৰাহিদ আহমেদ ৩৮
**শাওণ** / অনিতা গগৈ ৩৯
**প্ৰেম নৈ সাগৰলৈ** / যমুনা বৈশ্য ৪০
**চিনাকি সেই অচিনাকি বতাহজাক**/ পল্লৱী ডেকা ৰয় অধিকাৰী ৪১
**ৰ'দ** / উইল চিদ্দিকুৰ ৰহমান ৪২
**মনৰ সুখ** / বাছিৰুল ইছলাম ৪৩
**মনৰ মাজত কিবা এটা ভাৱৰ উকমুকনি** / চুভানা চুলতান ৪৪
**বিভীষিকাময় ইউক্ৰেইন** / সুভাৰাণী কলিতা ৪৫
**বাৰুদ** / কল্পনা গগৈ ৪৬
**স্বগত** / ড°প্ৰসন্ন কুমাৰ নাথ ৪৮
**মিৰি-জিম্** / ভাৰ্গৱ কুমাৰ বৰুৱা ৪৯
**ভোগালীৰ পৰত** / ড° মঞ্জু কলিতা ৫০
**বাটে-বাটে** / অনুস্মিতা ঠাকুৰীয়া ৫১
**আঘোণ** / ড° জামালুদ্দিন আহমেদ ৫২
**মৌন জনগণ** / ডিম্বেশ্বৰ বৰুৱা ৫৩
**অৰ্পণ** / জোনমনি তালুকদাৰ ৫৪
**নিলাম** / বিৰিঞ্চি মহন্ত ৫৫
**কল্পনাৰ তৈল চিত্ৰ** / অৰুণীমা হাজৰিকা ৫৬
**শীত নহা চহৰৰ সাধু** / বনশ্ৰী বৰ্ষা ডেকা ৫৭
**স্মৃতিৰ কোঠালি...** / অধীৰ চন্দ্ৰ দাস ৫৯
**হেৰোৱা জোনাক সাবটি** / ৰমা কান্ত দাস ৬০
**মোৰ ৰেস্তুৰাঁলৈ স্বাগতম** / আতিকুৰ ৰহমান ৬১
**শূন্যতা** / ৰুণা লাইলা ৬২
**সুখৰ সমাধি** / ড° সীমা বৰা ৬৩
**আবদ্ধ প্ৰেম** / টুটুমনি নাথ মেধি (ৰুমি ) ৬৪
**মেটেকা ফুল** / দীপাঞ্জলী বৰা ৬৫
**সময়ৰ কথা** / উজ্জ্বলা বৈশ্য ৬৬
**সপোন** / ৰবিন কুমাৰ চেতিয়া ৬৭
**সন্ধান** / পাৰু মহন্ত ৬৮
**নৈপৰীয়া আই** / প্ৰণৱ কুমাৰ ৭০
**ভালপোৱা**/ বিন্দু ৰাজবংশী কলিতা ৭১
**সপোনৰ কাৰাগাৰ...**/মলয় ৰাজ ৭২
**শিল ভঙা মানুহৰ আত্মকথন** / মাণিক ডেকা ৭৩
**যি হ'ব দুখৰ দিনৰ কবিতা** / জীৱন শৰ্মা ৭৪
**অনুভৱ** / চাজিদা বেগম ৭৫
**বিপন্ন ব'হাগৰ দুটা স্তৱক** / সমীৰণ শৰ্মা ৭৬
**ৰং**/ হিৰন্ময়ী মেধি ৭৭
**ষ্টপেজ** / জয়িতা শাণ্ডিল্য ৭৮

**কৃষক মোৰ পিতাই** / শাশ্বতী শৰ্মা ৭৯
**জিলিকা পানী ডোঙা** / কাৰেং বৰুৱা ৮১
**আমি অনাথ শিশুৰে কৈছো** / নয়নমনি বৰা ৮২
**শুভ নৱবৰ্ষ** / প্ৰভাত নাথ ৮৩
**ভৰসা** / প্ৰণীতা শইকীয়া তালুকদাৰ ৮৪
**এটি অজ্ঞাত প্ৰশ্ন** /ৰাজীৱ নেওগ ৮৫
**অনুভৱ** / নীলিমা মহন্ত ৮৬
**সৰাপাত**/ মনময়ূৰী কলিতা ৮৭
**সমুদ্ৰৰ সন্ধান** /মায়াশ্ৰী দেৱী ৮৮
**প্ৰস্তৰ** / ৰঞ্জিত বৰা ৮৯
**গান্ধাৰীৰ উচুপনি** / দীপিকা শইকীয়া বৰুৱা ৯০
**প্ৰেমৰ ৰামধেনু** / সনত কুমাৰ মহন্ত ৯২
**মাতৃ দিৱসৰ অনুভৱেৰে** /ৰঞ্জিতা হাজৰিকা চেতিয়া ৯৩
**পতন** / জিতা মণি শৰ্মা ৯৪
**বেশ্যা** / তীৰ্থ পিন্টু বৰা ৯৫
**ভালপাওঁ অফুৰন্ত** / ড° মোৰশেদুজ জামান ৰবীন ৯৬
**ফাগুণ** / কাশ্মীৰ কল্যাণ আহমেদ ৯৭
**সাংবাদিক**/ মায়াশ্ৰী ঠাকুৰ ৯৮
**ব্ৰহ্মপুত্ৰ** / ৰেখা ৰাণী বৰা ৯৯
**কৃষ্ণচূড়া ফুলিল** / দ্বিজেন কাকতি ১০০
**বেশ্যা** / প্ৰিয়ংকা প্ৰিয়া ভূঞা ১০১
**শৈশৱ** / লক্ষীন্দ্ৰ গগৈ ১০৩
**বনকৰা ছোৱালীজনী** / অনিন্দিতা খনিকৰ হাজৰিকা ১০৪
**ধূলি..** / ৰবীন দাস ১০৬
**সন্মান** / ৰেণুকা কলিতা ১০৭
**কবিতা** / সঞ্জীৱ বৰুৱা ১০৮
**পথভ্ৰষ্ট** / ৰাজশ্ৰী শৰ্মা ১০৯
**জোনাকৰ বৰষুণ** / কুশল ঢেকিয়াল ফুকন ১১০
**স্বাধীনতা** / গৌৰিত গগৈ ১১১
**জীৱন বুলিলে কি বুজা** / জ্যোতিৰূপা কলিতা ১১২
**তাহানিৰ চোতালখন** / কল্পনা দেৱী গোস্বামী ১১৩

❖❖❖

# সম্পাদকীয় কলম

## জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

অসমীয়া কাব্য-সাহিত্য অসমীয়া জাতিৰ এক ঐতিহাসিক কাব্যিক দস্তাবেজ। জাতিটোৰ চিন্তা-চেতনা প্ৰকাশৰ অন্যতম "মৰ্য্যদাপূৰ্ণ মাধ্যম"। ইয়াৰ পৰিসৰ, প্ৰসাৰ আৰু গতানুগতিক জীৱনত থকা অপৰিসীম প্ৰাসঙ্গিকতাৰে অসমীয়া সাহিত্য সাগৰসদৃশ গভীৰ, বিশাল আৰু বিস্তৃত।

ভক্তি দৰ্শন, আধ্যাত্মিকতাবাদ, প্ৰকৃতি, সৌন্দৰ্য্য, প্ৰেম-ভালপোৱা, বিৰহ-বিচ্ছেদ, সংস্কাৰ-সংস্কৃতি, দৰ্শন-পৰম্পৰা, ইতিহাস বিৱৰণ, লোককৃষ্টি, শিক্ষা, সমাজনীতি, ৰাজনীতি, জ্ঞান-বিজ্ঞান, দৈনন্দিন বিষয় ইত্যাদিৰ সমাহাৰেৰে অসমীয়া কবিতা এক স্বয়ং সম্পূৰ্ণ "কাব্যিক দৰ্শন"।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ', মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কীৰ্তন ঘোষা", শ্ৰীশ্ৰীমাধৱদেৱৰ "নামঘোষা" গোপাল মিশ্ৰৰ "ঘোষাৰত্ন' কবিৰত্ন ভট্টদেৱৰ হৃৎ-মন্দিৰ স্পন্দিত কৰা সৃষ্টিৰাজি', পৰৱৰ্ত্তী সময়ৰ হেম বৰুৱা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নৱকান্ত বৰুৱা, ভূপেন হাজৰিকা আদিৰ হৃদয় প্ৰসূত কবিতাৰাজিয়ে অসমীয়া কাব্য সাহিত্য তথা অসমভূমিক বিশ্ববন্দিত কৰি ৰাখিছে। মহাপুৰুষ জনাৰ "কৰতল কমল, কমল দল নয়ন" নিঃসন্দেহ বিশ্বৰ একক আৰু অনন্য সৃষ্টি।

কবিতাই ভাষা, ব্যাকৰণ আৰু শব্দৰ শুদ্ধতা আনে, মৌনতাৰে চন্দৰ নিজৰা বোৱাই জাতিৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি সৃষ্টিৰ অমৃত সন্ধান কৰাত সহায় কৰে।

অপৰিসীম বিষয়ৰ উপাদান আৰু বহুবোৰ শ্ৰেষ্ঠতম্ কাব্যৰত্নৰ সৃষ্টিৰে অসমীয়া জাতিৰ চিন্তা-চেতনাক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিব পৰাকৈ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল বিশ্বমানৰ কবি আৰু কবিতাৰে ভৰপূৰ আৰু চহকী।

এই কাব্যগ্ৰন্থখনৰ জৰিয়তে এহেজাৰজন অসমীয়া কবিৰ এটিকৈ শ্ৰেষ্ঠ কবিতা উত্তৰ পুৰুষৰ বাবে একত্ৰ সংৰক্ষণ কৰাৰ প্ৰয়াসৰ দিঠক ৰূপ হৈছে "সহস্ৰ কবিৰ সহস্ৰ কবিতা"?

*সহস্ৰ কবিৰ সহস্ৰ কবিতা, কবি আৰু কবিতাৰ এক অনন্ত যাত্ৰা.. ।*

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই অভিনৱ যাত্ৰাৰ সকলো সহযোগী আৰু শুভাকাংক্ষীৰ ওচৰত আমি কালান্তৰলৈ কৃতজ্ঞ হৈ থাকিম।

*শ্ৰদ্ধা আৰু ভক্তিৰে*

**হিতেশ গোস্বামী**

**মুখ্য সম্পাদক**

# কৃতজ্ঞতা

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ সহস্ৰ কবিৰ সহস্ৰ কবিতা শীৰ্ষক কাব্যগ্ৰন্থখনৰ সম্পাদনাৰ স'তে জড়িত কাৰ্যবাহী সম্পাদক, সম্পাদক, সহঃসম্পাদক, সমন্বয়ক, বিশেষভাবে আমন্ত্ৰিত বিশেষজ্ঞসকল, কবিতা প্ৰেৰণ কৰা সন্মানীয় কবিসকল, সংস্কাৰধ্বনিৰ উপদেষ্টা পৰিষদ, জটিল সময়ত পৰামৰ্শৰে ধন্য কৰা শুভাকাংক্ষী ব্যক্তিসকল, আৰ্থিক পৃষ্ঠপোষকতাৰে আমাক দৃঢ় কৰা ব্যক্তিসকল, সন্মানীয় স্বেচ্ছাসেৱক (Volunteers) সকল, যুৱ প্ৰতিনিধি (Youth Ambassador) সকল, শুভেচ্ছামূলক প্ৰতিনিধি (Goodwill Representative) সকল, আহ্বায়ক আৰু সমন্বয়কসকল, জিলা প্ৰতিনিধিসকল, যোগাযোগ মাধ্যমৰ আহ্বায়ক (Media Coordinator) সকল, অন্যান্য সম্পৰ্কিত, ব্যক্তি, অনুষ্ঠান আৰু প্ৰতিষ্ঠা (Associates) সমূহ, উপ-সভাপতি প্ৰমুখ্যে সাধাৰণ পৰিষদৰ সদস্যবৃন্দ, বেটুপাত শিল্পী শ্ৰীমান সত্যজিৎ নাথ, বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱা শ্ৰীমান কমল মজুমদাৰ, বিতুল গগৈ, গুণগুণ, কুকি, ৰাজীব বৰ্মন, ডিটিপি সম্পূৰ্ণ কৰা শ্ৰীদ্বীপেন কলিতা আৰু সাংবাদিক বন্ধুসকললৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

আপোনালোকৰ সহযোগিতাৰ বাবে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' পাঠক সমাজৰ হাতত শ্ৰদ্ধাৰে সমৰ্পণ কৰিবলৈ সক্ষম হৈছোঁ।

আপোনালোকলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**শ্ৰদ্ধাৰে...**
**সভাপতি আৰু সম্পাদক**
**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# পাতনি



## সংস্কাৰধ্বনি ফাউণ্ডেচনৰ অভিনৱ প্ৰয়াস
## ‘সহস্ৰ কবিৰ সহস্ৰ কবিতা’

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই প্ৰয়াসৰ জৰিয়তে অকল অসমতে নহয়, সমগ্ৰ বিশ্বৰ চুকে-কোণে থকা অসমীয়া কবিসকলৰ একোটাকৈ কবিতা প্ৰকাশৰ চেষ্টা কৰিছে।

বিশ্বৰ সাহিত্য জগতৰ আদি পাঠেই হৈছে ‘কবিতা’। ভাৰতীয় সাহিত্যৰ ঋকবেদখনক বিশ্বৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হয়। ঋকবেদ ছন্দবদ্ধ কবিতাৰ মাধ্যমত পূৰ্বৰ ঋকবেদৰ ব্যাখ্যা আৰু বিশ্লেষণৰ আজিও অন্ত পৰা নাই। ঋকবেদত যদিও বিভিন্ন দেৱ-দেৱী আৰোপ কৰি বিভিন্ন জীৱ আৰু জড় তাৰোপৰি দৃশ্য আৰু অদৃশ্য শক্তিক গভীৰ প্ৰজ্ঞাৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰা হৈছে; অনেক পণ্ডিতে সেই ঋকবেদখনতে বিজ্ঞানৰ অনেক স্পৰ্শকাতৰ আৰু উচ্চ পৰ্যায়ৰ তত্ব বিচাৰি পাইছে। আমাৰ অসমৰে এগৰাকী বিদগ্ধ পণ্ডিত অথচ পেচাগতভাৱে অবিভাজ্য অসমৰ মুখ্য অভিযন্তা আছিল;— সেইজন ৰাজমোহন নাথে ঋকবেদখন বৈজ্ঞানিক তত্বৰ ভাণ্ডাৰ হিচাপে ইংৰাজীলৈ অনুবাদ কৰিছিল। সেই অভিযন্তা পণ্ডিতগৰাকীয়ে এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতে সৃষ্টি কৰা কাব্য সাহিত্য ঋকবেদত বৈজ্ঞানিক সুত্ৰৰ ভাণ্ডাৰ বিচাৰি পাইছিল। মূলতঃ প্ৰাচীন কালত গণিত, বিজ্ঞান, ফলিতজ্যোতিষ ইত্যাদিও কবিতাৰ মাধ্যমত লিখি সঞ্চিত কৰি যোৱা আছিল।

যৰ্জুবেদ, সামবেদ, অৰ্থববেদ, পুৰাণ বা ইতিহাস সমূহ, মহাকাব্য ৰামায়ণ, মহাভাৰত, পশ্চিমীয়া সাহিত্যৰ ইলিয়াত, ওদিচি ইত্যাদি সকলোবোৰ বিভিন্ন ছন্দ, লয় আৰু মাত্ৰাৰ সমন্বয়ত মানৱ সমাজৰ চিন্তা-চৰ্চাবোৰ সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাটসমূহত গদ্যৰ প্ৰভাৱ পৰিলেও সুত্ৰধাৰ আৰু অনেক চৰিত্ৰৰ সংলাপত কবিতাই ঠাই পাইছিল। অসমত আনকি ১৯ শতিকাৰ আদি ভাগতো পদ্য বুৰঞ্জী ৰচনা কৰা হৈছিল। মহাগুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পৰামৰ্শ মতে ভট্টদেৱে কথাগীতা আৰু কথা-ভাগৱত ৰচনা কৰিছিল। ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ ভিতৰত অসমীয়াতেই পোনতে গদ্য সাহিত্য ৰচনা হৈছিল অৰ্থাৎ যোল্ল শতিকালৈকে সমগ্ৰ ভাৰতভূমিত সংস্কৃততে নহয় আঞ্চলিক ভাষাৰ সাহিত্যসমূহ কবিতাত ৰচিত হৈছিল।

কবিতাৰ বিষয়বস্তু যুগে যুগে সলনি হৈ আহিছে। মানুহৰ ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰো সলনি ঘটিছে। ১৭ শতিকাৰে পৰা ভাৰতবৰ্ষত পশ্চিমীয়া তথা ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। সেয়ে ইউৰোপীয় ভাষা-সাহিত্য আৰু সংস্কাৰ বুটলি লওঁতে অসমীয়া সমাজ ঐতিহাসিকভাৱেই পিছপৰি আছিল।

১৯ শতিকাৰ শেষৰ দুটা দশকৰে পৰা অসমীয়া সাহিত্যত ইউৰোপীয় তথা বিশেষকৈ ইংৰাজী সাহিত্যত প্ৰভাৱ পৰে। কলিকতালৈ পঢ়িব যোৱা অসমীয়া ডেকা-ল'ৰাসকলে ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলায়।

উল্লেখনীয় যে ১৮৪৫ চনতেই অসমলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টায়ান মিছনেৰীসকলে অৰুনোদয় নামাকৰণেৰে এখন আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰে। সেই সময়ৰ শিৱসাগৰত কথিত ভাষাটোকেই অসমীয়া লিখিত ভাষা হিচাপে অৰুনোদয়ত গ্ৰহণ কৰিছিল। প্ৰভূ যীশুৰ গুণ-গান গাই তেওঁলোকে সেই আলোচনীখনত কবিতা প্ৰকাশ কৰিছিল। যি কি নহওঁক কলিকতালৈ পঢ়িব যোৱা অসমীয়া যুৱকৰ স্বাভিমানৰ ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই নতুন প্ৰাণ পালে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ নিজৰ কবিতা সম্পৰ্কেই কৈছিল যে;— কবিতা হৈছেনে নাই তেওঁ নাজানে।' নহ'লেও আপত্তি নাই। অসমীয়া ভাষাত কবিতা, গল্প সাহিত্য ইত্যাদি লাগে। সেইবাবে তেওঁ লিখি গৈছে। ঠিক তেনেকৈয়ে তেওঁ অসমৰ বাহিৰত থাকিও অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। বিশেষকৈ বেজবৰুৱা দেৱৰ হাস্যৰস সম্বলিত লেখাসমূহ আজিও অসমীয়া সাহিত্যৰ ভড়ালত অনন্য বুলিয়েই স্বীকৃত হৈ আছে।

সেই সময়ত পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰপ্ৰসাদ আগৰৱালা, আনন্দৰাম ঢেকিয়াল ফুকন, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা ইত্যাদি ব্যক্তিয়ে অসমীয়া সাহিত্য জগতত এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰিছিল।

আধুনিক যুগত কবি হিচাপে পদ্মশ্ৰী নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, গণেশ গগৈ ইত্যাদিয়ে অসমীয়া সাহিত্যৰ কবিতাৰ ভড়াল চহকী কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' অসমীয়া কবিতা সাহিত্যত এটা বিশেষ স্থান অধিকাৰ কৰি আছে। আজিও সেই পুথিখনৰ আদৰ কমি যোৱা নাই। সাংসদ-সাহিত্যিক হেম বৰুৱাই অসমীয়া কবিতা জগতত এটা নতুন ধাৰাৰ সৃষ্টি কৰা বুলি কোৱা হয়। তেওঁৰ কবিতাত যদিও সমাজবাদী আদৰ্শৰ ইংগিত পোৱা যায় ভাষা, শব্দ, চয়ন, বিষয়বস্তু মুক্ত চন্দৰ মাজতে আৱেগ ভৰা লয় ইত্যাদিয়ে তেওঁৰ সৃষ্টিক নতুনত্ব দিছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' যদিও পশ্চিমীয়া সাহিত্যৰ আৰ্হিত লেখা হৈছে;— তেওঁৰ ভাষা বাক্যাংশবোৰৰ লালিত্য আৰু বিষয়বস্তুৰ বৰ্ণনাই অনন্য ৰূপ পাইছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' অসমীয়া কবিতা সাহিত্যৰ ভড়ালত নিশ্চয় চিৰযুগমীয়া হৈ ৰ'ব।

মই কামনা কৰোঁ আজিৰ এই বিশ্বায়তনিক নতুন যুগৰ নৱপ্ৰজন্মই সহস্ৰ কবিৰ সহস্ৰ কবিতাৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাওঁক।

❖ *জয়তু ভাষা জননী* ❖

**ড° নগেন্দ্ৰ নাথ শৰ্মা**

**মুখ্য উপদেষ্টা, সংস্কাৰধ্বনি ফাউণ্ডেচন**

সংস্কাৰধ্বনি ফাউণ্ডেচন
*Sanskardhwani Foundation*

**প্ৰথম ভাগ**

**সম্পাদনা**

আৰিফা হুছেইন বৰা



# বিশ্বাসৰ সমাধি

নিতু শৰ্মা
নলবাৰী

তুমি তুমি নহয়
মই মই নহয়
আপোনবোৰো আপোন নহয়
বিশ্বাসী দাপোনেও মিছা কয়,
স্বাভিমানৰ গইনা লৈ
অহংকাৰে গজালি মেলে
হৃদয়ৰ সাৰুৱা বাগিচাত।
সেউজীয়া বীজবোৰ উদণ্ড হৈ নাচে
ফচলবোৰ অসুস্থতাৰ কাৰক হৈ পৰে,
বিষাদবোৰ চকুলো হৈ নিগৰে
আবেগবোৰ অবিবেকীয় কোঠালিত
কাৰাৰুদ্ধ হৈ থাকে।
অনুভূতিবোৰ পৰিবেশৰ কঠোৰ প্ৰহাৰত নিষ্প্ৰভ
হৈ পৰে,
বিশ্বাসবোৰ ধোঁৱা হৈ উৰে
উপলব্ধিবোৰ দিশহাৰা হৈ
বুকুত সমাধিস্থ হয়।

# ৰৈ ৰৈ কান্দিছে বিৰহী ৰাধা


দীপিকা ফুকন
গোলাঘাট

সময় সমাগত
কানাই মেলিব নাও
খিল খিল হাঁহি
যৌৱনমতী যমুনা

পাৰত ঢৌবোৰৰ
বিফল আস্ফালন
পোহৰৰ মাজত
নিসংগ অন্ধকাৰ

নিস্তেজ বসন্তত
অতীত হ'ল
ফুল ফুলাৰ সময়

শূন্য দৃষ্টি দুচকুৰ
জাগ্ৰত সত্বা
ৰৈ ৰৈ কান্দিছে বিৰহী ৰাধা।।



# গালি

বিকি নেওগ
যোৰহাট

আইৰ গালি
পিতাইৰ গালি
জীৱন গঢ়াৰ পদূলি
পুৰাই যদি শুনিব পাৰি
মুকুতা জিলিকিব গোটেই জীৱন জুৰি।

তেতিয়া খং উঠি
অষ্ফুট শব্দৰে ভোৰভোৰাই থাকি
শৈশৱৰ সোনোৱালী সময় অৱাবত গ'ল গুছি।

আইৰ গালি
পিতাইৰ গালি
এতিয়া মাহাত্ম্য বুজি
ব্যাকুল হৈ বিচাৰি ফুৰিলেও
জীৱনটোক জানো নতুনকৈ সজাব পাৰি ...?

শৈশৱৰ গালি
নাথাকে একোকে ঠেহপেজ ধৰি ।

যৌৱনৰ গালি
প্ৰেমত প্ৰতাৰণাৰ ব'লি
এবাৰো নোখোৱাকৈ থাকিলোঁ বাচি ।

এতিয়া প্ৰিয়তমাৰ গালি
সময় যদি দিব নোৱাৰোঁ
অফিচত বচৰ গালি
শুনি থাকা মনে মনে বহি।

চুবুৰীয়াৰ গুৱাল গালি
আমনি নালাগে শুনি
উৰাদিহ নাপাওঁ একোকে বিচাৰি ।

গুৱাল গালি
বৈশিষ্ট্য বিচাৰি
খাবা তুমি হাবাথুৰি
যাক গালি পাৰিবা তুমি
তেওঁ থাকিব মনে মনে শুনি
বাটৰুৱাইও লব তোমাকহে চিনি ।

গুৱাল গালি বোৰ যাব আলিয়েদি গুছি ।

শাহুৰ গালি
শহুৰৰ গালি
যদিহে শুনিব পাৰি
গাঁৱৰ হ'বা লখিমী বোৱাৰী।

মাকৰ গালি
জীয়েকে শুনি
যদিহে হজম কৰিব পাৰি
জীৱনৰ ৰং বোৰ উঠিব জিলিকি ।

গালিকো অমৃত বুলি
যদিহে পান কৰা পুৰা গধূলি
স্বৰ্গৰ গংগা আহিব নামি
সাতোৰঙী হৈ উঠিব জীৱনৰ পদূলি।

# প্ৰেমৰ এটি কবিতা ফাগুন ফাগুনকৈ লিখা

শিখা হাতীবৰুৱা
যোৰহাট

ফাগুনৰ ৰঙা হেনো
অনুৰাগৰ ভোগজৰা
এই যেন তোমাক লগপোৱাৰ প্ৰথম পছোৱাৰ বা,
মন ডেউকাত পলাশৰ ৰং
আকাশলংঘী বাঢ়ি যোৱা হেঁপাহৰ আখৰাত
কেৱল সুখী হোৱাৰ অম্লান পণ
নীলাকৈ খামত যেন হৃদয়ৰ তাগিদা
ফাগুন ফাগুনকৈ তাহানিৰ কথাবোৰ লাহেকৈ লিখা
বতাহত হালি জালি কপালৰ চুলিতাৰি
ভাগৰি নপৰা ফাগুনৰ সময়
দুষ্ট পদ্যৰ চঞ্চল শব্দৰ বিন্যাস
এচোতাল উতনুৱা ধূলিয়ৰি প্ৰেম
এই যেন তুমি ধূলি হৈ
ফাগুনৰ অজুহাতত মোক বাৰে বাৰে
আবৰি ধৰিছাহি সমূহ বাধা নেওচি
স্মৃতিৰ দলিচা দলিয়াই
কুৰুকি কুৰুকি সোমাব খুজিছা
মোৰ নিভৃতলৈ
হৃদয়ৰ দুৰবীক প্ৰতিহত কৰি বিজয়ৰ এজাক পছোৱা হৈ
ময়ো মই হৈ থকা নাই
এই ফাগুনৰ জুইফুল দেখি
ৰঙাকৈ আঁকিছো কপালত এটি বেলি
পোহৰক বুলি মোৰ সেই সোণালী স্মৃতি
এহাল চকুৰ ক্ষণিক চাক্ষুকত
দহি মৰা মন পক্ষীৰ সমাধিৰ ধূলিয়ৰি সাৰি আছো
নিশব্দ ৰজনীৰ বন্ধ্যা অনুভৱ সামৰি
ফাগুনৰ জগৰেই বা কি !!
তুমিও গৈ আছা
মইয়ো ....
কেৱল ৰঙাবোৰ বিলোৱা নহ'ল
এবাৰো
ফাগুনক কোৱা নহ'ল
একো,
পছোৱাৰ বা
ধূলিয়ৰি উতনুৱা
বৈ বৈ চাই আছো কেৱল এটি কবিতাৰ বাবে
প্ৰেমৰ কবিতাবোৰ হেনো ফাগুনতহে নিগৰে
কবিৰ কলম কাপেৰে

# ‘মা’

জান শইকীয়া
মাজুলী

মা , তুমি নিশ্চয় শান্তিৰে আছা
মই সদায় কামনা কৰোঁ তুমি যেন সুখত থাকা।
জানা মা মইহে বৰ দুখত আছোঁ,
আধুনিকতাৰ পৃথিৱীত ময়ো যেন
এটা যন্ত্ৰ হৈ পৰিছোঁ।
মাথোঁ যান্ত্ৰিকতাৰ কোলাহল
নাই আজিৰ মানুহৰ মানৱতা
চাৰিও ফালে হিংসা ধৰ্ষণ লুণ্ঠন
হত্যাৰ দৰে জঘন্য অপৰাধ।
মা , আজিকালি কিছু কিছু ক্ষেত্ৰত
আইনৰো হয় ভেকো ভাওনা
দোষ কৰাজন সাৰি যায়
নিৰ্দোষীয়ে শাস্তি পাব লগা হয় অ’ মা !
আজিৰ মানুহে আনৰ বাবে ভাবিবৰ সময় নাই,
ব্যস্ত ব্যস্ত মাথোঁ ব্যস্ত মানৱ।
সময় নাই নিজৰ মাক দেউতাকৰ খবৰ ল’বলৈও ,
নাই সময় আপোনজনৰ খবৰ কৰিবলৈও।
চাৰিওফালে বৈ গৈছে আধুনিকতাৰ বন্যা,
য’ত মানুহবোৰে উটি ভাঁহি হেৰুৱাইছে পাৰাপাৰ,
পাহৰিছে নিজৰেই অস্তিত্ব।
মা , আজিৰ সমাজত কি হয় জানা
আচাৰ আছে বিচাৰ নাই
দণ্ড আছে ক্ষমা নাই,
এয়াই হৈছে আধুনিকতাৰ বন্যা।

# কবিতা লিখা নহ'ল তোমাৰ নামত

ইয়াকুব আলী
নলবাৰী

তোমাৰ নামত সুখৰ কবিতা
এটি লিখাৰ কথা আছিল ।
তোমাৰ নামত দুখৰ কবিতা
এটি লিখাৰ কথা আছিল ।
তোমাৰ নামত মিলনৰ কবিতা
এটিও লিখাৰ কথা আছিল ।
তোমাৰ নামত মাথোঁ কবিতা
লিখাৰ কথাই আছিল।

ভাবি থাকোঁতেই সময়ৰ
এটি এটি পল গুচি গ'ল ..
আজিও লিখা নহ'ল কবিতা ।
উকা কাগজত ক'লা দাগ লাগিলে,
কলমৰ চিয়াহীত তেজ শুকালে,
মৰহি গ'ল আশাৰ দলিছা ।

ৰজনী গন্ধাৰ সুবাস
তুমি পোৱা নাই
বকুল ফুলৰ গোন্ধও
চাগে' তুমি পোৱা নাই
এই সকলোবোৰ কথাই এদিন
তোমাক ক'ম বুলি ভাবিছিলোঁ!
কিন্তু ...
নিষ্ঠুৰ সময়ৰ কোবাল সোঁতত ,
এই সকলোবোৰ এতিয়া মাথোঁ
পাহৰণিৰ গৰ্ভত ... সেয়ে চাগে'
কবিতাও লিখা নহ'ল
তোমাৰ নামত!!!



# বিলাসী বিষাদ

গীতাঞ্জলী নিয়োগী
বিলাসীপাৰা

লক্ষ্য কৰিছোঁ
গোমা আকাশৰ আৰ্তনাদ
এবুকু মেঘ সাৰটি ৰাখিছে
অথচ ...
নিগৰা নাই এটোপাও অশ্ৰু
তুমি বাৰু কেতিয়াবা লক্ষ্য কৰিছানে ?
মানুহৰ মনবোৰো কেতিয়াবা এনেকুৱা হয়
তুমুল উল্লাসবোৰ এটা সময়ত
মৌন হৈ পৰে
জীৱন কটাব পৰা স্মৃতিবোৰ
অন্ধকাৰত ডুবে
ক'ত হেৰাই বুকুৰ সেউজীয়া
ক'ত হেৰাই জীয়াই থকাৰ হেঁপাহ
ক'ত হেৰাই ভাললগা, ভালপোৱা শব্দবোৰ !
কিমান ধুমুহা বুকুত বলে
ক'ত নিশা উজাগৰে কাটে
সময় আছে জানো চোৱাৰ
কিমান উশাহ অশ্ৰু হৈ সৰে
এবুকু বিষাদসনা দুচকুৰে
তথাপিও হাঁহে
হাঁহিৰ আঁৰৰ কান্দোন চাবলৈ যে
তুমিও ব্যস্ত, ময়ো ব্যস্ত ....

# উপাধি

আগমনি ফুকন শইকীয়া
শিৱসাগৰ

ঈশ্বৰ জন্ম হোৱাৰ আগতেই
আছিলনে আন এজন ঈশ্বৰ?
আছিল নে
নাছিলো!
যদি নাছিল
ঈশ্বৰহীন পৃথিৱীখন কেনে আছিল বাৰু ?
প্ৰশ্নবোৰে আমনি কৰি থাকোঁতে
এদিন ঈশ্বৰৰ জন্ম কাহিনী শুনিলোঁ,
অপৰূপ বৰ্ণনাৰে সৃষ্টি হোৱা কাব্য গ্ৰন্থত
ঈশ্বৰ এজন নায়ক
এজন উপাস্য দেৱতা
ঈশ্বৰৰ সন্ধানত মানুহৰ
জ্ঞান বাঢ়িল,
লাহে-লাহে এখন তুলাচনীত তুলি
দিয়া হ'ল
ঈশ্বৰক
আৰু চক্ৰবেহুত সোমাই পৰিল
ঈশ্বৰ।
ঈশ্বৰৰ নামতেই
জন্ম হ'ল উপাধিৰ
জন্ম হৈয়েই উপাধিয়ে
সলালে ঘৰৰ ৰং
সলনি কৰিলে নৈৰ ঘাট ।
একৰ পৰা এশ লৈ
ভাগ কৰা হ'ল নম্বৰ
ঈশ্বৰৰ নামতেই
ভাগ কৰা হ'ল জীৱ-জন্তু
ভাগ কৰা হ'ল ফল-মুল ।

আৰু এনেকৈয়ে
কমাৰশালত
শানত দি গঢ়া হ'ল
উপাধি নামৰ
এখন তৰোৱালৰ...
সজাত বন্দী 'উপাধি'
এতিয়া এবিধ শক্তিশালী অস্ত্ৰ

# মহাশ্বেতা

মাইনা গগৈ
ধেমাজি

মহাশ্বেতা
কোন ৰূপৰ অনন্যা তুমি
সুৰভি কামিনী ফুলৰ সুবাসিনী
তোমাৰ হাঁহিত ফুলে নতুন সাজৰ জীৱন এটি
ৰঙা আৱেগ সনা প্ৰভাতৰ ছবি।

হে মহাশ্বেতা
মোৰ শুকান মৰুত ফুলিব দিয়া ফুল
নহ'বা পাষাণী প্ৰিয়া
আত্মাৰ সুৰভিত চিৰদিন চিৰকাল
ফুলাব খোজোঁ প্ৰেমাঞ্জলি।

মহাশ্বেতা
ডিঙিত পিন্ধি ল'লা চন্দ্ৰহাৰ
শুকৰাতিত মেলি থোৱা চুলিত
সানি ল'লা আঁউসীৰ বোল
শুভ্ৰতা সাজে হৈ পৰা বেদাগ্ৰণী শ্ৰাৱণী।

মহাশ্বেতা
কোন যুগৰ মধুমালিতা তুমি
আত্মাৰ বেদীত
আলফুলে ফুলি থকা জীৱন ভৈৰবী
হৈ ৰোৱাচোন মোৰ
সুখৰ বৰেণ্য মালাধাৰি।।



# শৰত ...

দেৱী কলিতা
বাইহাটা চাৰিআলি

আহিন লাহে লাহে আহে
ধৰাৰ বুকুলৈ এসোপামান
ৰূপৰ মাধুৰী লৈ এক মধুময় আৱেশ সানি,
এখুঁজি দুখুঁজিকৈ লাজৰ ওৰণি টানি,
আহিনে লৈ আহে শাৰদী ৰাণীক
ৰিমজিম বৰষুণৰ মিতিৰালি
টুপ টুপ নিয়ৰৰ মধুময় ছন্দত
আৱেগ বিহ্বল ধৰাৰ লগত
বেলিৰ লুকা-ভাকু
লাজুকী চাৱনিৰে চাই
যেন ৰিঙিয়াই মাতিছে শৰতক
শৰতে সিঁচি দিয়ে
সৌন্দৰ্য্যৰ আবিৰ,
সজাল ধাননি ডৰা হৈ পৰে অধিক সেউজীয়া ...
সেউজীয়া ধাননিৰ নৃত্যৰ মূৰ্চ্ছনাত শিহঁৰিত ...
শত সহস্ৰ কৃষক
আমোলমোল শেৱালিৰ গোন্ধ,
মায়াবী শৰতৰ পদূলিয়ে পদূলিয়ে
শুভ্ৰ শেৱালিৰ আমোলমোল সুগন্ধিৰ মহাপয়োভৰ।
কুঁৱলীৰ কোমল আচ্ছাদনত জাক জাক শিশুৰ শেৱালি বুটলি,
কলকলনিত মুখৰিত হয়
প্ৰতিটো কোমল পুৱা
নিশা ফুলি পুৱতি নিশাই সৰি পৰা
শেৱালীৰো থাকে অলেখ সপোন ,
এজাক সুগন্ধি সপোন।
যৌৱনমতী শাৰদীক
সুগন্ধি সানি দিয়াৰ সপোন
নিয়ৰসিক্ত দুৱৰিডৰাত সুৰুজৰ হেঙুলি কিৰণৰ আভা
সিঁচি দিয়ে যেন মুঠি মুঠি
মণি- মুকুতা।
নিয়ৰৰ শীতল পৰশত ৰ'দ জিলমিল
পুৱতি নিশাৰ শেৱালিবোৰেও
ঠেঁহ ধৰে ...
নিয়ৰকণাৰ আলিংগন পাবলৈ
বতাহ জাকেও শেৱালি ফুলৰ সুবাস সানি
শীতল চুমা যাচে
যেন শাৰদী দেৱী নিচেই কাষৰত
বাউলি হৈ আহি আছে
প্ৰেম আৱেগত,
শৰতে হৃদয়ে হৃদয়ে সিঁচি দিয়ে প্ৰেৰণা জীৱন যুঁজৰ
এই বেলিও শৰতে সিঁচি দিয়ক
প্ৰতিজন অসমীয়াৰ প্ৰাণে প্ৰাণে শান্তি আৰু সম্প্ৰীতিৰ
জীৱন অমিয়া ।

## দ্বিতীয় ভাগ

**সম্পাদনা**

ৰঞ্জনা পাঠক



# তুমি আকাশ হোৱা

চন্দামিতা চৌধুৰী কলিতা
টিহু

যি ৰাতি অতীত হয়
সি আৰু উভতি নাহে
চোৱা,এই পূৰ্ণ প্ৰৱাহেৰে বৈ থকা
নৈ খনেও সাগৰৰ সতে
মিলিবলৈ গৈ আছে
উভতি নহা পথেৰে

সেয়ে তুমি আকাশ হোৱা
মই সাগৰ হৈ তোমাক
নিজৰ বুকুলৈ আঁজুৰ আনিম
তোমাৰ নীলা ৰংটোৰে
আজীৱন পোছাক পিন্ধিম
দিনে নিশাই ঢৌৰ লহৰত
তোমাৰ সতে নাচি থাকিম
মৰিচিকা তোমাৰ মোৰ
মিলনৰ কেন্দ্ৰবিন্দু
তথাপিও সাগৰ আকাশ
সদায় থাকিব এটাই আনটোৰ
পৰিপূৰক হৈ
সেয়ে তুমি আকাশ হোৱা
সেয়ে তুমি আকাশ হোৱা ।।



# মেঘমল্লা

ৰুদ্ৰ ৰাজখোৱা
জাঁজি , যোৰহাট

আকাশৰ বিশাল বুকুত
নূপুৰ বজাই ঘূৰি ফুৰা
তুমিয়েইতো ৰূপোৱালী
সৰগৰ পৰী

শুক্ল বস্ত্ৰ পৰিহিতা
যেন দেৱী অপৰূপা
তুমিয়ে নোহোৱা জানো ?
পাৰিজাত নন্দিনী ...
ঢৌতে খৰ মাৰি
উলাহতে নাচি বাগি
স্বাধীন মনেৰে ফুৰা
ৰূপহী বিজুলী
বৃষ্টিৰ কণিকা সিঁচি
সৃষ্টিৰ কঠিয়া সিঁচা

মৰ্ত্যৰক জীপাল কৰা
একমাত্ৰ গৰাকীনি তুমি
খোজে প্ৰতি চঞ্চলা
সোণত সুৰগা চ'ৰা
আকাশৰ বোকোচাত উঠি
প্ৰেমিকক উতলা কৰা
চপৰা চপৰ শুকুলা টুকুৰা
সৰগৰ দেৱকন্যা
তুমি  মেঘমল্লা।

# সংসাৰ বজাৰ

অক্ষয় তালুকদাৰ
মালিগাওঁ, গুৱাহাটী

সুখ লাগে নেকি সুখ!
চিঞঁৰটো বাহিৰৰ পৰা আহিছে চাগে,
খিৰিকী খুলি চালোঁ
বাহিৰত দেখোন শূন্যতা
মোৰ ভ্ৰম চাগে

আকৌ শুনিলোঁ চিঞঁৰটো
চিঞঁৰ অনুসৰণ কৰি বাহিৰলৈ আহিলোঁ
ৰাস্তাৰ দুয়োকাষে দুখৰ দম
সুখবোৰ কলৈ গ'ল?
পথৰ দাঁতিত বিক্ৰী হৈছে
দুখ, হতাশা আৰু অশান্তি
তাকো সুলভ মূল্যত
সুখবোৰ কলৈ গ'ল?

সংসাৰ বজাৰ চলাথ কৰিলোঁ
সুখ আৰু শান্তি বিচাৰি
পিচত শুনিলোঁ-
কষ্টৰ লগত হেনো সুখ ফ্ৰী!
ত্যাগৰ লগত শান্তি ফ্ৰী!!
ময়ো তাকেই ল'লোঁ
হঠাতে টোপনিৰ পৰা সাৰ পালোঁ
মনতে ভাবিলোঁ-
কি বিচিত্ৰ এই সংসাৰ বজাৰ!!


# এক ভগ্ন হৃদয়

হিমাদ্ৰী বৰকটকী
শিৱনগৰ

তোমাৰ অবিহনে ও জীয়াই থাকিম
জীয়াই থাকিব মোৰ হৃদয়
তোমাৰ মুখৰ হাঁহি
ভাল লগাবোৰ পাহৰিব দিম
মিছা ভালপোৱাৰ প্ৰেমত পৰিব
নিদিম আৰু
ভাগৰি পৰিছে মোৰ হৃদয়
মৰম আৰু ভালপোৱা বিচাৰি
মাথোঁ পাইছোঁ অৱহেলা
যত্ন কৰিছোঁ নেহেৰোৱাবলৈ তোমাক
সকলো উজাৰি দিছোঁ ভাল পাবলৈ
বাৰে বাৰে উজুতি খাই পৰিছোঁ

কেতিয়াবা গালি দিব মন যায়
যিটো মোৰ যোগ্যতাৰ বাহিৰত
হৃদয় হ'ল বুলিয়েই দিব জানো
সি বিচৰা সহাঁৰি

আকৌ এবাৰ এন্ধাৰৰ নিৰ্জনতাই
আকোঁৱালি ল'ব বিচাৰিছে
সঁচাই নিৰ্জনতাই প্ৰিয়
ধপলিয়াই আহি সংগ দিয়ে
মোৰ পুৰণা সংগী জোনাকী বোৰে
শুনিব বিচাৰিছে হৃদয় ভঙা
উত্তাল আবৃত্তি কবিতাৰ...



# হাত

বিনোদ বড়া
গুৱাহাটী

যাৰ নামত কবিতা লিখোঁ
তেওঁৰ কেৱল হাত দুখন দেখিছোঁ
হাতৰ আঙুলিকেইটা দেখিছোঁ

তেওঁৰ প্ৰতিটো আঙুলিৰ পাবত
কোনো আঙুঠি নাই
তাৰ ঠাইত আছে
প্ৰতিটো ঋতুৰ সংগীত
কোনো "নেইল পলিচ" নলগায় তেওঁ
প্ৰকৃতিৰ সৈতে সহবাস ভাল পায়
তেওঁৰ তৰ্জনীত হালধীৰ সুগন্ধ
মধ্যমাত আছে
মাতৃত্বৰ কটকটীয়াঁ
নিৰাপত্তাৰ বিশদ বিৱৰণ
শেলুৰৈয়ে সাবটা তামবৰণীয়া আঙুঠিটোৱে হেনো
অষ্টপ্ৰহৰৰ খেলা দেখুৱায়
বুঢ়া আঙুলিৰ সমতলভাগত নলীয়া-কটাৰীয়ে
চহোৰা
সীৰলুবোৰ থুপ খাই আছে
তেওঁৰ কেঞা আঙুলিটোত
আছে এটি ধুনীয়া নখচন্দ্ৰ
জেতুকা নাই তেওঁৰ হাতত
তথাপিও হেঙুলবুলীয়া হাত
হাতৰ ৰেখাবোৰ মিচিচিপিৰ দৰে
সেয়ে নিতৌ প্ৰেমৰ
ঔদ্যোগিকৰণৰ ব্যা খা তেওঁৰ
তলুৱা দুখনত হৰপ্পা আৰু
মহেঞ্জোদাৰোৰ সভ্যহতা
আঙুলিৰ আগকেইটি তুলবুলীয়া
তাৰেই তেওঁ আকাশৰ ছবি আঁকে
তেওঁ যে স্পষ্টবাদী!
তেওঁ যে আশাবাদী!

তেওঁৰ হাত দুখন চাই চাই
সদায় হামখুৰি খাই পৰোঁ
একোটা সুখৰ চাকনৈয়াত
এইখনেই সেই হাত
য'ত কবিতা লিখি
নিতৌ তুলি দিওঁ
শব্দবোৰে জিৰণি লয়
তেওঁ হাত ফুৰায়
অহৰহ মই বিচাৰি ফুৰা
এইখনেই সেই হাত।।।



# বিষন্ন ব'হাগ

মাইটি কাকতি দাস
পশ্চিম গুৱাহাটী

ফুলতো নুফুলা বসন্ত
দুপৰটোও আপাঙৰ
হাতত হেৰুৱালোঁ
যৌৱনমতী
ভাতৰ ভাৱনা
ক'ৰ অবুজ শালিকীয়ে
চিঙি থৈ গোল
মোৰ হেঁপাহৰ বাতিৰ সূঁতা !
নিজান ঘাটত বান্ধিলোঁ
নাও হুমুনিয়াহ !!!

# জাতিংগাৰ এজাক চৰাই

প্ৰদীপ প্ৰসাদ শইকীয়া
নগাঁও

আঙুলি পাবৰ দুকুৰি দাগত
পাৰ হোৱা বছৰৰ লেখি

এটা সপোনে দোলা দি যায়
ক্ৰুৰ-ৰূঢ়-বাস্তৱে ফোপৰি পাতে
আশাহত যৌৱন
নিৰ্বাক -স্থবিৰষ্ঠ
যেন শুকান ডালত ওলমি থকা
ৰসহীন মৌচাক

ব্ৰত আৰু সাধনাৰ
কৃতিত্বৰ প্ৰামাণ্য দলিল
আজি বৰণ সলোৱা
মাথোঁ এখিলা কাগজ
ককাৰ বৰপেৰাত
সযতনে সাঁচি ৰখা
তাহানিৰ 'ৰজাৰ ছবি থকা'
'সাচতীয়া ৰূপ' বজাৰত অচল
চৰৰ বালিত গোজ পুতি বৈ দিলে
চৈ-দিয়া খৰালিৰ নাও
অলৰ -অচৰ
অট্টাহাস্য অহৰহ কৰ্ণপটহত
তাচ্ছিল্য বিদ্ৰুপ
পথৰুদ্ধ পথিকৰ পক্ষ... কেনি ?
'হনন যজ্ঞত ' আহুতিৰ বাবে
চোপ পাতি আছে নেকি বৈ
আকৌ
জাতিংগাৰ এজাক চৰাই.. ?



# চহৰৰ কুঁৱলী

নিত্যানন্দ শইকীয়া
যোৰহাট

উইচিৰিঙাৰ দৰে সাজ লগাতে
মেজাংকৰি পিন্ধি পাটমাদৈ
কুহুকিনী এজাক জাকি মাৰি
লুকাই থাকে ডাষ্টবিনবোৰত
আলিটোৰ ইপাৰে সিপাৰে হওঁতে
হেডলাইটত লাজুকী বসন্তসেনা
এমখাই ধনীঘৰৰ ফালে পোনায়,
আনজাকে লাইটপোষ্ট একোটালৈ
উজানৰ মাছৰ দৰে
তই থাক মই যাওঁ
পোহৰক আগভেটি
অগাডেৰা কৰে।
ভন গঘই আহি হাতগুড়ু খেলে
মাৰ্জিত গায়নযোৰাই
গুৰুঘাত জোৰে
জকমক ফুলনিৰ জেউতি চৰে,
বনৰীয়া ঘোঁৰাজাকে তগবগ কৰে
কুঁৱলীৰ চকু আছে, লাজুক চাৱনিৰে
টিপমাৰে নিশাৰ আলহীক।
কুঁৱলীবোৰ চেনেহুৱা , আদৰেৰে
কোলাত লৈ শীতল কৰে উন্মাদনা
মাজনিশা নোৱাই তোলনি পাতি
পৰস্পৰে কনাই সলায়
পূবৰ ডাঁৱত ঢালাই বনুৱাৰ দৰে
পোছাক সলাই গোট পিত খায়
সুৰসুৰকৈ সুৰুকীয়া বাটেৰে গৈ
এৰি যায় ছায়াহীন কুহুকী মায়া!!

# ব'হাগ

হীৰা দেৱী
গোটানগৰ

প্ৰাণৰো প্ৰাণৰ গানৰো গানৰ
এটি মিঠা অনুভৱ বহাগ
তুমি বিনে উকা উকা হিয়া
কুলি কেতেকীৰ সুমধুৰ গীতে
বতৰা দিয়ে তুমি অহাৰ
কপৌ পাহেৰে সুশোভিত হয়
নাচনী জনীৰ ধুনীয়া খোপাটি
তুমি যে সবাৰে বুকুৰ কুটুম
হিয়াৰ আমঠু, এক মিঠা শিহৰণ
নাচনী গাভৰুৰ যৌৱনৰ আমনি
ঢোল পেপাৰ শব্দত
টোপনি হৰে ঘনে প্ৰতি
চেনাই লৈ মনত পৰে
সেয়েহে ভূপেনদাই গীতৰ ভাষাৰে
সৌ তাহানিবাই কৈছিল
"বহাগ মাথো এটি ঋতু নহয়
নহয় বহাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ !
বহাগ তুমি আকৌ আহিবা
ৰাংঢালী মনক ৰঙীন কৰিবা
এটি ৰঙিলী পখিলী হৈ
প্ৰেমৰ বতৰা লৈ
তুমি পুনৰ আহিবা
তুমি যে মিঠা ব'হাগ
মৌ মিঠা ব'হাগ !!!

# কবিতা

উদয় কুমাৰ বৰুৱা
নাৰেঙ্গী (গুৱাহাটী)

বাস্তৱৰ ৰণভূমিত
যিদিনা বাটৰ আলহী হৈছিলোঁ
সেইদিনাহে বুজিছিলোঁ
বাটৰ দৰে মহান দৰদী
আৰু কোনো নাই
এনে লাগিছিল মই যেন
অতকালে বাটচাই থকা
একান্ত সংগীজন
গজি উঠা হেঁপাহৰ হাতত ধৰি
গোপন দুৱাৰেদি প্ৰবেশ কৰিলোঁ
বাটৰ অভ্যন্তৰত
ফুল-কাঁইটৰ মাজতো প্ৰথম দেখিলোঁ
সোণাৰুবুলীয়া এখন কলিজা
সপোনৰ তলাতল
যেন বেদনাৰ পৰা বহু নিলগত
ঘূৰাই পোৱা জীৱনৰ সোণালী উৎস
টোপনিৰ নীলা ফিতা কাটি
ওৰেটো ৰাতি আমি বুৰ গ'লোঁ
সেউজীয়া আলাপত
জীপাল আলাপৰ ফাঁকে ফাঁকে
জোনে বোৱাই আছিল
ৰূপালী প্ৰপাত
সময় সীমিত হৈ আহিছিল
তথাপিও হিয়া শাঁত পৰা নাছিল
পাতিবলৈ ৰৈ যোৱা কথাবোৰ
দীঘল গান এটা হৈ
বুকুলে বাট কাটিছিল
ক্ৰমে কৃশ হৈ অহা
বন কেতেকীৰ মাতটোও
তেতিয়ালৈ ফুল হৈ ফুলিছিল
প্ৰেম আৰু জীৱনৰ
মায়াময় মোহনাত!!!



# তৃতীয় ভাগ

## সম্পাদনা

এছ্ আহমেদ



# পৃথিৱীৰ কোলাত

নিবেদিতা দাস কলিতা
নলবাৰী

পৃথিৱীৰ কোলাত
মূৰ থৈ সাৰে আছোঁ মই
চকুত সপোন
ওঁঠত মোৰ অনুভৱ
আৰু আঙুলিৰ ফাঁকে ফাঁকে
শব্দৰ অলংকাৰ ।
তুমি জানোঁ বুজিবা ?
মোৰ হৃদয়ত বৈ থকা
বিষাদৰ কেঁচা তেজৰ টোপাল ,
য'ত প্ৰতিদিনেই তিতি থাকে
মোৰ হৃদয়ৰ কৰুণ গাঁথা
আকাশৰ বিশাল শূন্যতাত
মই বিচাৰি পাওঁ হেজাৰ সপোন
নিদ্ৰা হৰে মোৰ জোনাকৰ স'তে
কথা পাতি পাতি ।
তথাপিও ! মই যে ভাগৰুৱা নহওঁ
জীয়াই থাকিম শব্দৰ মাজত
সেয়েহে সাৰে আছোঁ মই
পৃথিৱীৰ কোলাত মূৰ থৈ।





# প্ৰেমৰ বাৰ্তা

ৰাহিদ আহমেদ
কাটাৰ, ডোহা

পাৰ হৈ গল কেইবাটাও নিশা
এতিয়াও শেষ হোৱা নাই লিখা
শব্দবোৰে নাজানে
তোমাৰ হিয়াৰ পৰিধি.

তোমাৰ হৃদয়খনতো নহয়
নিকোবৰৰ দ্বীপপুঞ্জ
ইমানেই নীলাভ যে
সকলোতে বিচাৰি পাওঁ প্ৰেমৰেই মধুকুঞ্জ।

# শাওণ

অনিতা গগৈ
নগাঁও

মই খেতিয়কৰ জীয়ৰী
পুৱাই উঠি বাহিবন কৰি
হালোৱা দেউতাক পথাৰ যোৱাৰ যোগাৰ ধৰি
পইতা কৰকৰা এবাটি
আলু পিটিকা খৰিছা আৰু বেহুৱাৰে পেটত
পেলাই ঢাপলি লওঁ পথাৰলৈ বুলি।
মই খেতিয়কৰ জীয়ৰী
দেউতাৰ মই ডাঙৰ জীয়ৰী
আমাৰ যে ল'ৰা নাই
দেউতাক নিদিও কৰিবলৈ উপলব্ধি।
ভন্টি আৰু মই আমাৰ দুজনী ছোৱালী
সৰুৰে পৰা মা দেউতাৰ লগত পথাৰলৈ যাওঁ
পথাৰখন আমাৰ তেনেই চিনাকি।
একাঠু বোকাত ভুই ৰুও আমি ।
ডাঙৰ হৈ অহাৰে পৰা
ৰ'দ বৰষুণ হৈ পৰে আমাৰ লগৰী।
মই উজনিৰ জীয়ৰী
কোনো কামলৈ ভয় নকৰি
ট্ৰে’’ৰেৰে হালবাওঁ
ভন্টিয়ে আলি বান্ধে চুক কোণ চিকনাই
কোৰেৰে
আমি যে খেতিয়কৰ জীয়ৰী।
বোকা পানী ৰ'দ বৰষুণ আমাৰ লগৰী
দেউতাই বৰিকাত থিয় হৈ ৰিঙিয়াই
তহঁতৰ স্কুল কলেজৰ সময় হল
থকাখিনি কালিলৈ কৰিবি
কাষতে থকা পুখুৰীত গাটো জুবুৰিয়াই
ঘৰলৈ আহি চাফচিকুন হৈ
মায়ে ৰান্ধি দিয়া ভাত কেইটা খাই
পঢ়াশালিলৈ কৰো গতি
কেতিয়াবা ৰয় কাণৰ লতিত
লাগি থাকে পলসুৱা পথাৰৰ বোকা মাটি
আমি যে খেতিয়কৰ জীয়ৰী।




শিক্ষকৰ পাঠদান কাণপাতি শুনো
দুনাই পঢ়িবলৈ সময়ৰ নাটনি
আবেলিলৈ আমাক মাতে তাঁতশালখনে
দুকুশালীমান বৈ লওঁ গামোচা জুটি
আকৌ যাওঁ কঠিয়া তলিলৈ
মুঠি মুঠিকৈ কঠিয়া তুলি ফেৰাবোৰ বান্ধো
সন্ধিয়ালগা গোঁসাই ঘৰত ধুপ ধুণা জ্বলাই
প্ৰৰ্থনা কৰি ভগবানক কৰো মিনতি
চাহ খাই পঢ়াৰ টেবুলত বহো
খেতিয়কৰ জীয়ৰী।
এইবাৰ এপিএচ দি পালো ডাঙৰ চাকৰি
তথাপি মই ভাল পাওঁ কৈ খেতিয়কৰ জীয়ৰী
। দেউতাৰ আমি জী কোনোদিন দেউতাই
অনুভৱ নকৰিলে তাৰ ল'ৰা নাই বুলি।

# প্ৰেম নৈ সাগৰলৈ

যমুনা বৈশ্য,
শুৱালকুছি, অসম

তৃষ্ণাতুৰ বিভীষিকা বোৰে
হাবিয়াস লয়
জীৱন নাটৰ
কিছু তিতাঁ কিছু মিঠা
প্ৰণয়ৰ অলেখ আশাৰে বোঁৱাই
প্ৰেমৰ নৈ বয় সাগৰলৈ।
মায়া সাগৰত
ৰাঙলী জোনাকৰ
ঢৌ দেখি ,দেখি
ৰামধেনু বুলীয়া
মৰীচিকাৰ সপোন আঁকি
দুখ বোৰ বাঁহ লয়
নেদেখা জোন হৈ।
স্বপ্নৰ ৰঙ্গমঞ্চত
দিশভ্ৰষ্টৰে আপোন পাহৰি
মধুৰ ক্ষণ বোৰ হেৰুৱাই
বিষন্নতাৰ ৰাতিত,
মন বেদনাই
উচুপি উঠে
সাগৰ বোৱাই দুচকুত
আঁচল পাতি মচি লয়
দুঃ সময় বোৰ ।



# চিনাকি সেই অচিনাকি বতাহজাক

পল্লৱী ডেকা ৰয় অধিকাৰী
গুৱাহাটী

কোন দেশৰ তুমি অচিনাকি বতাহ
মোৰ মন আকাশ বিকশাই
নান্দনিক প্ৰেমৰ ধুমুহা বোৱাই
মোক উত্ৰাৱল কৰিলা ?
জীৱনৰ খলাবমা পথাৰখনতো
সিঁচি দিলা প্ৰেমৰ শইচ
চাৰিওদিশৰ পদূলিত
জ্বলালা আশাৰ বন্তি।

মোৰ দৃষ্টিত যেন
সপোনবোৰে প্ৰাণ পাই উঠিল
কল্পনাবোৰৰো নতুনকৈ ৰহণ চৰিল
আৰু মনৰ ব্যথাবোৰ ?
অচিনাকি বতাহজাকৰ বেগত
ব্যথাবোৰ দূৰৈত ছিটিকি পৰিল।

মৰমৰ সৰগখন যে আজি মোৰ নিচেই কাষত
যাক ঢুকি পাবলৈ আৰু হাকুটি নালাগে।
চিনাকি সেই অচিনাকি বতাহজাকতেই
যেন মই উটি যাম নিৰৱধি...
অদৃশ্য আকাশৰ বুকুৰ মাজলৈ
গভীৰৰ পৰা গভীৰতৰলৈ।

# ৰ'দ

উইল চিদ্দিকুৰ ৰহমান
লক্ষীমপুৰ, অসম

ৰ'দ
মোৰ হেঁপাহৰ বৰঘৰ।
আজিকালি মই
বৰ সহজতে সহিব পাৰো ৰ'দৰ দহন।
আচলতে এয়া মোৰ
দীৰ্ঘদিনীয়া অভ্যাসৰ ফচল
কিম্বা পিতাইৰ অপৰাহ্ণ সময়ৰ
আকুল আবেদন

মোৰ ৰ'দে পোৰা পিঠিত
নিমিষতে শুকুৱাব পাৰোঁ দুখৰ ৰুমাল,
শাওণৰ ঘামে তিতা দেহত ওমলাব পাৰোঁ
ৰ'দৰ উত্তাপ

ৰ'দৰ সমান্তৰালকৈ
আজিকালি মই
সহজতে সহিব পাৰো
দুখৰ দোপালপিটা বৰষুণ এজাক।



# মনৰ সুখ

বাছিৰুল ইছলাম
আজাৰা,কমলপুৰ

হাঁহি থকাটোৱেই সুখৰ সংজ্ঞা হ'লে
জীৱনটো সঁচাকৈয়ে অভিনয় নেকি বাৰু ?
চকুলোৱে অভিনয় কৰে
কেতিয়াবা দুখৰ
কেতিয়াবা সুখৰ নিজৰাৰ
সুখ- দুখৰ ৰণাংগণত জীৱনৰ আহুকাল !
পোৱা নোপোৱাৰ সমীক্ষাত বিধ্বস্ত সময়
সত্যৰ আপডালত কাঁইটৰ আঁচোৰ
হৃদয়ৰ কুঠৰীত সপোনৰ শৰশয্যা,
তথাপিওঁ জীৱনৰ লগৰী হাঁহি !
হাঁহিৰ প্ৰলেপত কেতিয়াবা দুখ বিৰিঙে
আৰু কেতিয়াবা সুখৰ তৰা।
মনৰ সুখৰ উহ বিচাৰি
আগুৱাই যায় জীৱনৰ নাওঁ
কেতিয়াবা উজনি , কেতিয়াবা ভটীয়নী সোঁতৰ ঢউ
লেখি।
দিবাৰাত্ৰিৰ পৰিক্ৰমাত সৰে সময়ৰ পাপৰি
কোনে ক'ব পাৰে হৃদয় ডাঠ কৰি
জীৱন সদায় সুখৰ ফুল বুলি
হাঁহিবোৰ সদায় সুখৰেই ছন্দ বুলি ?
বুকুৰ হাড়বোৰ আছে বাবেই হয়তো কলিজাটো
সুৰক্ষিত
সপোন আছে বাবেই হয়তো জীৱনৰ গান গায়
সকলোৱে
প্ৰাপ্তিৰ ৰেখাডাল আজুৰি আনিবতো নোৱাৰি
জীৱন নাওৰ বঠাপাত সজোৰে ধৰিলে
পাব পাৰি ছাগৈ মনৰ সুখ
হাঁহিৰ অশ্ৰু আৰু দুখৰ লোতকক
একত্ৰে তৰংগায়িত কৰিব পাৰিলে
পাই ছাগৈ মনৰ সুখ।

# মনৰ মাজত
# কিবা এটা ভাৱৰ উকমুকনি

চুভানা চুলতান
জালুকবাৰী, গুৱাহাটী

শব্দৰ মালা গাঁঠি নিগৰি আহিবলৈ
যেন বাট বিচাৰি নাপায়।
বতাহত উৰি ফুৰা খবৰবোৰে
হাইউৰুমিৰ সৃষ্টি কৰে,
সিহঁতে মোৰ বিবেকক দংশন কৰে ।
মোৰ কৰ্ণপতহত সিহঁতৰ চিঞৰবোৰ
প্ৰতিধ্বনিত হয় সহস্ৰবাৰ,
শয়ন কক্ষৰ দেৱালত খুন্দা খাই।
দিঠকে সপোনে খেদি ফুৰে মোক
সিহঁতৰ অতৃপ্ত আত্মাই।
আহ্বান কৰে ন্যায় আৰু মুক্তিৰ
কাৰ বাবে ন্যায় বিচাৰিম
পয়ষস্টি বছৰীয়া বৃদ্ধই বলাৎকাৰ
কৰা নাবালিকাজনীৰ বাবে
নে ৰাজপথত স্বামীৰ প্ৰহাৰত মৃতপ্ৰায়
হোৱা পত্নী জনীৰ বাবে,
যৌতুকৰ বলি হোৱা নববিবাহিতাজনীৰ বাবে,
নে বেশ্যালয়ৰ পতিতাবোৰৰ বাবে?
মোৰ অন্তৰাত্মা দুৰু -দুৰু কঁপিছে
মই কেৱল চটফটাই আছো,
অব্যক্ত বেদনাত ককবকাই আছোঁ।

# বিভীষিকাময় ইউক্ৰেইন

সুভাৰাণী কলিতা
পাঠশালা

জ্বলি উঠিছে চৌদিশ
আকাশে বতাহে ৰণশিঙাৰ হুংকাৰ
তেজৰ ফাকুৰ ত্ৰাসত ম্ৰিয়মান জনজীৱন,

আজি মৃত্যু বিভীষিকাৰ কিৰিলি চৌদিশ
গুলি বাৰুদ বোমাৰে কপিছে আকাশ
মাথোন কপি উঠিছে ইউক্ৰেইন,

উচ্চ ক্ষমতাৰ ৰাগীত মানৱীয় চেতনা হেৰাই
কাপুৰুষতাত মহীয়ান হৈ উঠি পৰি লাগিছে
অক্ষয় শক্তিৰ প্ৰমাণ দিবলৈ,

উইক্ৰেইৰ আকাশ জ্বলি উঠিছে
যুদ্ধ লাগিছে ,যুদ্ধ মানে মৃত্যুৰ পথ
বুকুত বাজিছে মৃত্যুৰ শব্দৰ ধপধপনি,

কিমান মৃত্যুৰ বিনিময়ত
কিমান কান্দোনৰ বিনিময়ত
কিমান মৰাশৰে ভৰা উপত্যকাৰ বিনিময়ত
কিমান ক্ষতবিক্ষত শৰীৰৰ তেজৰ ফাকুৰ বিনিময়
পাবলৈ সক্ষম হ'ব মানুহে মানুহৰ দাম,

সচা আকাশ,সচা বতাহ
সচা উশাহ-নিশাহ পাবলৈ
কিমান বাৰ মুৰ তুলিব লাগিব তুমি ইউক্ৰেইন চহৰ।।

# বাৰুদ

কল্পনা গগৈ,
উত্তৰ লখিমপুৰ

কিমান আৰু মচিবা বেদনাশ্ৰু
ক্ষত বিক্ষত আঘাতৰ দাগ বোৰ
ঢাকিবানো কিমান বাৰু আই!
বাৰুদৰ ধোঁৱাই আকাশ চানিছে
শত্ৰুৱে তোমাক দশোদিশে বেৰিছে।

ক্ষমতালোভী সন্তান বোৰক
বুজাব নোৱাৰি আই,
নিৰবে তোমাৰ অশ্ৰু নিগৰিছে
গুণি,জ্ঞানী হৈও অবুজ সিহঁত!
লাগে মাথোঁ ক্ষমতা নিজৰ হাতত
দুহাতেৰে চিঙি মানৱতাৰ শিকলি
কেঁচা শোণিতেৰে বুকু কৰিছে ৰাঙলী।
জান' আই!
কেতিয়াও নিবিচাৰা যুদ্ধ!
সম্প্ৰীতিৰ ভাৰত তুমি সদায়ে মুগ্ধ ।
হিংসাৰ লেলিহান শিখাই চানিছে আকাশ!
তথাপিতো হোৱা নাই যুদ্ধৰ অৱকাশ ।
কিনো পাব সিহঁতে শোণিতত সাতোঁৰি!
সকলো যাব লাগিব মায়াৰ সংসাৰ এৰি।
তুমি জানা, 'অহিংসাই পৰম ধৰ্ম'
তাকে ভাবি সকলোৱে কৰা নিজৰ কৰ্ম ।
এতিয়াও সময় আছে সিহঁতক বুজোৱা
হিংসা এৰি অহিংসাৰে জগত পোহৰোৱা।

## চতুৰ্থ ভাগ

**সম্পাদনা**

জোন বৰা



# স্বগত

ড° প্ৰসন্ন কুমাৰ নাথ
ছিপাঝাৰ কলেজ

তোমাৰ আলফুল কোঁচত
মোক ঠাই দিয়া
মই তোমাৰ কোঁচৰ  বাহত পোহ লম।
তুমি কলা ‘পাখি গজিলে যদি উৰি যোৱা?’
তোমাৰ বাহত দিক্‌চৌ বন পালো
মই এই বনতেই থাকিম।
তুমি ৰাখিলা
কোঁচত নহয়...।
পিৰালিৰ পৰা চালৰ মুধচলৈ
উৰিব শিকিলো।
তুমি মোৰ ডেউকা ভাঙি কলা
‘যদি গোটেই উৰি যোৱা?’
পিৰালিৰ পৰাই মই তোমাক আধাৰ খোজো।
হিয়াৰ দেৱাজৰ সিপাৰৰ পৰা
তুমি মোক আধাৰ দিয়া দলিয়াই
তোমাৰ কোঁচত মুখ থৈ
আধাৰ খোৱাৰ স্বপ্ন দেখা
মই এক ডেউকা ভগা চৰাই।





# মিৰি-জিম্

ভাৰ্গৱ কুমাৰ বৰুৱা
মঙলদৈ

ঠৰঙা হোৱাৰ সময়
একেখন মিৰি-জিম্!
তোমাৰ গাৰ গোন্ধ,
পুৰণা ৰাগী এটা মোৰ
ৰিমজিম ৰিমজিম।


এই যে, বাহিৰত এছাটি বতাহ
ভিতৰত এটা ৰু-ৰুৱনি।
কথবোৰতো আৰু তেনে নহয়
তোমাৰ ভাগৰ একাপ চাহ,
মোৰ ভাগৰ একাপ।
বিস্কুট ভালপোৱা নাছিলোঁ আমি
কামুৰিলে শব্দ হয়...
একেখন মিৰি-জিম্
অলপ উমাল হোৱাৰ সময়।

# ভোগালীৰ পৰত

ড° মঞ্জু কলিতা
মঙলদৈ কলেজ

ধৰিত্ৰীৰ বুকুফালি নাঙলৰ সিৰলুৰ ফাঁকেৰে
বৈ আহে
অসমী আইৰ বাপতি সাহোন
ৰঙালী, কঙালী, ভোগালী।
ধনবৰ, মনবৰৰ দুবাহুৰে নামে
বিহুৰ অপাৰ সম্ভাৰ।
ৰংমন,তৰালীৰ সতে
ৰঙিলী পমিলীহঁতে
ৰ'দ বৰষুণৰ সহচৰ হৈ
জীয়াই থকাৰ মহৌষধ গঢ়ে।
মাজে মাজে দুখ ভাগৰ
কাতি কৰি থৈ
উৎসৱ পাৰ্বন পাতি
জীৱনটো জীপাল কৰে।
ভৰ বাৰিষাৰ কেচা ঘামবোৰ
সোণ হৈ জিলিকাৰ পৰত
ভোগৰ নৈ বয়
সবাৰে ঘৰত।
ৰংমন,তৰালী,ৰঙিলী,পমিলী
দুবাহুৰে নামে
ধৰালৈ ভোগালী।





# বাটে-বাটে

অনুস্মিতা ঠাকুৰীয়া
বামুণী গাওঁ

আপুনি অহা বাটে দুটি মান শব্দ আহিছিল
এটি সপোনো পোখা মেলিছিল
শব্দবোৰে ইটোৱে সিটোত গা লগাই
ঝংকাৰ তুলিছিল
বুকুত,
মনত,
আৰু ওঁঠত
ৰুণজুন-ৰুণজুন
যেন নৃত্যৰত দেৱদাসীৰ নূপুৰ ...
আপুনি অহা বাটেই ফাগুন সোমাইছিল
ব'হাগৰ জপনাত আউজি মোলৈ ৰ' লাগি আছিল
জেতুকাৰ বোল গাঢ় হওঁতে
আপুনি অহা বাটটোৱে মোৰ বুকুলৈ বাট বুলিছিল...।

# আঘোণ

ড° জামালুদ্দিন আহমেদ
মঙলদৈ


মোৰ  উপজা গাঁৱৰ
পথাৰলৈ আহিছে আঘোণ
আঘোণৰ  পথাৰে পথাৰে
ভৰি পৰিছে
হেঁপাহৰ কেঁচা সোণ ।
আঘোণৰ পথাৰখনত
ওৰেটো নিশা
হাঁহি থাকিল
পিঠা যেন
পূৰ্ণিমাৰ জোন ।
আঘোণতে ফলিয়াই
চহা কৃষকৰ
বোকা পানী গচকা
সোণালী সপোন ।
পথাৰত আকৌ নামিছে
হেঁপাহৰ আঘোণ
আঘোণতে কৃষকে
পাহৰে  ভোক পিয়াহ লঘোণ ।
আঘোণতে ফলিয়াই
কৃষকৰ বুকু ভৰা
সোণালী সপোন
আঘোণ  আঘোণ সকলোৰে
অতিকৈ আপোন।
পথাৰত নামিছে
আকৌ সোণ গুটি
লখিমী অনা
হেঁপাহৰ  আঘোণ ।
ভোগালীক আদৰি
অনা আঘোণ।



# মৌন জনগণ

ডিম্বেশ্বৰ বৰুৱা
মঙলদৈ মহাবিদ্যালয়

শেষ হ'ল
সিংহাসন দখল কৰাৰ
আৰু এখন
মৌখিক যুদ্ধ।
লেৰেলি শুকাল
ৰঙা বগা হালধীয়া
পাহিবোৰ।
ইতিহাস পৰি ৰ'ল
বহল দাবৰ বুকুত
হয়তো এটা যুগলৈ।
বাকযুদ্ধ
প্ৰতিশ্ৰুতি আৰু
আশাবোৰ
মাথো উদ্বিগ্নতাৰে ভৰা।
নিয়তি এতিয়া যেন
এটা ঝুনা নাৰিকল
প্ৰসাদৰ উপকৰণ
বজাৰৰ পৰা কিনি অনা।
তথাপি সিংহাসন শুৱনি হ'ব
দৰবাৰত পাৰিষদ বহিব।
বৰদৈচিলা নহাকৈ নাথাকে।
আকাশখনো পূৰ্বৰ দৰেই
হিৰহিৰাই
গুমগুমাই
নামিব
খহিব গৰা।
মনত পৰিব
আকৌ এবাৰ
সেই ফুলাম গামোছাৰ
সমাহাৰলৈ।





# অৰ্পণ

জোনমনি তালুকদাৰ
কামৰূপ

জোনৰ নিজা বুলিবলৈ আচলতে কি,
নতুন বুলিবলৈ তুমিয়েতো সমস্ত

মই পানী,তুমি ৰঙ
নিয়ৰৰ দৰে সৰি,সৰি
বিলীন হওঁ...
কুহুমীয়া এটা উমত

লগতেই কঢ়িয়াবা মোকো তোমাৰ
সোঁতত...

# নিলাম

বিৰিঞ্চি মহন্ত
নগাঁও

ঢৌ খেলি খেলি
মৰা সময়বোৰ চিতাত উঠে
উৰলি যোৱা কথাৰ ফাঁকেৰে
সময়বোৰ পুনৰ জন্মে
জন্ম হয় জীৱন, জন্ম হয় যৌৱন !
অথবা,
চমৎকাৰ সভ্যতাৰ বজাৰত
বিক্ৰী হয় পণ্যৰ দৰে
বিশ্বাস, বিবেক আৰু
হৃদয়ৰ সেউজীয়া বতৰা !
আকাশ জানি চাৰ্বাকে পাখি মেলে
উমি উমি জ্বলি থকা
ঠগাৰ চাকি গছি
পুৰণি এটি গোন্ধৰ লাগি
বতাহত নুমাই যায়।
আন্ধাৰৰ ছেগ বুজি
পাতাল খন্দা সভ্যতাই
পুনৰ বজাৰ মেলে
নিলামৰ ডাক ঠন ধৰি উঠে !
উৰিব বিচাৰে ধপধপাই থকা কলিজাৰ
অকণমানি ডেউকা !
হুদুৰ মাতত তাল মিলাই
ঘৰমুৱা আলিবাটে ৰিং এটা মাৰে
মুনিচুনিৰ দুৱাৰত কাৰ্ফাল খাই
জোনাকী সৰে
দুতিবাৰীত আকৌ এখন
ভমকাফুলীয়া তেজাল চিতাৰ
দেওধনী চৰে
অস্ফূট এটা গেঙনি তুলি
এটি নিমাখিত সপোন শুই পৰে।।

# কল্পনাৰ তৈল চিত্ৰ

অৰুণীমা হাজৰিকা
নগাঁও

কল্পনাৰ তুলিকা আঁকা
এন্ধাৰ আকাশৰ ছবি
যদিও প্ৰতিদিন জ্বলে অগণন তৰাৰ চাকি
হেজাৰ যামিনীৰ জোনাকীয়েও শিখা জ্বলাব নোৱাৰে।

হিমচেঁচা শীতাৰ্ত শালিকী পুৱা
শিপাই শিপাই বিয়পি পৰা
অতি সৌৰভ গন্ধেৰে ৰঞ্জিত কৰা
নিয়ৰত শ্বেতবৰ্ণ দূ ৰবিৰ দলিছা।

প্ৰত্যুষতে ওপজা হেঁপাহতো
পাখি মেলি উৰি যায়
চিনাকী ঘাটত গা ধুই
অধৰপ্ৰান্ত জিলিকায়।

পূৰ্বাহ্নৰ আলপনাত অনুভৰী অংকুশ
উষাৰ আঁচলত অভ্যোদয় ৰঙা বেলি
অমিশ্ৰ বতাহত পৰিবাহী
অৱগাহি জীৱন তৰী।

# শীত নহা চহৰৰ সাধু

বনশ্ৰী বৰ্ষা ডেকা
কামৰূপ

আহো আহো কৈয়ো
ঠেৰেঙা বতাহজাক আহি নাপায়
চহৰখনৰ গলিবোৰ চুই নোচোৱাকৈয়ে
উভতি যায়
সহিব নোৱাৰি গোলকীয় উষ্ণতা !
ৰঙা, বগা, গুলপীয়া আৰু ইটাৰঙী
পাহাৰ পাহাৰ ঘৰবোৰ শুই পৰা নিৰ্জনতাত
ফেঁচা এটিয়ে কুৰুলিয়াই কুৰুলিয়াই
নিৰ্দিষ্ট অট্টালিকাটোৰ ছাদলৈ লৈ আহিল
আধামুঠি শীত
আৰু এখন গাঁও !
ঘূৰি নহা দিনৰ...
কুঁৱলীৰ নদীয়ে কপাই তোলা সন্ধিয়া
গাঁওখনৰ চোতালে চোতালে
একুৰা তুঁহজুই
আৰু এচুবুৰী মানুহ
ইমূৰ সিমূৰ বাগৰি অহা কথাৰ মহলাত
সিজি উঠে কঁকাল বন্ধা পিঠা
আৰু এবাতি ৰঙা চাহ.... ।
দেৱালৰ প্ৰতিটোপাল ঘামৰ চটফটনিত
চমকি উঠা মানুহজনে
ঘুৰ্মূতিয়াইয়ে জোৰকৈ উশাহ টানি চালে !
খোতোৰা পৰি অহা আইতাৰ আঁচলৰ
সেকা আলু পোৰা পোৰা গোন্ধ
নাই...
উশাহে ঢুকি পোৱা নাই



সেই দিনৰ সাধু ...
চকু মেলি দেখিলে তেওঁ
মূৰৰ ওপৰত এখন ফেনৰ অবাধ
ঘূৰ্ণীবতাহ.. !
যান্ত্ৰিকতা,আধুনিকতাৰ
নিষ্পেষিত ধোৱাই তপতোৱা চহৰৰ অলিয়ে গলিয়ে
এতিয়া শীত নাহে
আহে কোনো বিলাসী অট্টালিকাৰ
গৰাকীৰ পুৱতিৰ সপোনত ! !

সংস্কাৰধ্বনি ফাউণ্ডেচন
Sanskardhwani Foundation

**পঞ্চম ভাগ**

**সম্পাদনা**

উষামণি শইকীয়া



# স্মৃতিৰ কোঠালি...

অধীৰ চন্দ্ৰ দাস
গুৱাহাটী

স্মৃতিৰ কোঠালি খুলিলেই
জীৱনৰ হা-হুমুনিয়াহবোৰে আগুৰি ধৰে
পাহৰিব খুজিও, আজিও পাহৰিব নোৱাৰোঁ
ৰহস্যময় কাল সময়ৰ তেজ লগা ৰঙা তেজৰ সময়
বিষাক্ত বতাহ এজাকে বুকু স্পৰ্শ কৰি
দেহ মন জোকাৰি যায়
ধুমুহা বতাহত ভাঙি পৰে মোৰ হৃদয়ৰ
আটোমটোকাৰি ঘৰ
সুখ দুখৰ কথাবোৰ ভাবি ভাবি শিহৰি উঠো মাজৰাতি
স্মৃতিৰ বোকাত পোত খাই মোৰ বুকুৰ সপোন
তোমাক কম বুলি ভাবিও বহু কথা ক'ব নোৱাৰোঁ
হৃদয়ৰ শব্দ হৃদয়তে হেৰাই, দুচকুত ভাষা লুকায়
কিংকৰ্তব্যবিমূঢ় হৈ পৰি ৰওঁ এমূৰত
তোমাক চাব খোজোঁ, দেখা নাপাওঁ তোমাৰ ৰহস্যময় দাপোণ
তোমাৰ লাস্যময়ী অপৰূপ দেহৰ এধানি বাখৰুৱা আবেদন
সমৃদ্ধি ভৰা অতীতৰ বুকুত বান্ধি উতলা কৰিছোঁ মোৰ কাৰাবন্দী
জীৱন....

# হেৰোৱা জোনাক সাৱটি


ৰমা কান্ত দাস
গুৱাহাটী

সৌসিদিনা তোমাক মাতিছিলোঁ
মোৰ মনোৰম সৰু চহৰখনলৈ।
অতদিনে মনৰ মাজত সযতনে সাঁচিৰখা
হৃদয়ৰ গুপুত কথাবোৰ ব্যেকত কৰিবলৈ।
আজি ধলপুৱাতেই পুৱাকাশ ফৰকাল,
শালিকী যুৰিও চোতালত আনন্দত দেওদি নাচিছে।
প্ৰভাতী সূৰুযে এমোকোৰা হাঁহিলৈ
পৃথিৱী জ্যোতিষ্মান কৰিছে।
মোৰ গাৰ ওপৰেৰে বৈ গৈছে এচাটি আনন্দৰ মলয়া।
কাণে কাণে সমীৰণে কৈ গ'ল
তেওঁ হেনো আজি আহিব।
জালুকবাৰীৰ সোণাৰু, কৃষ্ণচুড়াৰ মাজে মাজে মোৰ লগত ফুৰিব।
হাতে-হাত ধৰি খোজত খোজমিলাই
মনৰ অব্যক্ত অনুভৱবোৰ
মোৰ সেউজীয়া হিয়াত ছটিয়াই দিব।
সু-উজ্জ্বল নয়নেৰে মুখত মিচিকিয়া হাঁহি লৈ
মোৰ মনৰ মাজলৈ ঢাপলি মেলিছে
চিৰসেউজ মানস প্ৰেমীক।
বিগত দিনৰ জোনাক ভালপোৱা কথাৰে সীমাহীন বাৰ্তালাপ।
প্ৰেমৰ তুলিকাৰে দুচকুত আঁকি দিয়া
সোণাৰুবুলীয়া আশা।
তেজোদীপ্ত সাহসেৰে হৃদয়ত সিঁচিদিয়া পলাশবুলীয়া
প্ৰতিশ্ৰুতি।
মোৰ অশ্ৰুত জিলিকে
তেওঁৰ ওঁঠৰ মিচিকিয়া হাঁহি।
তেওঁৰ এজাৰবুলীয়া অধৰ তিৰবিৰ
মোৰ সেন্দূৰৰঙী কপোলৰ ৰাঙলী আভাত।
অযুত বাসনাৰে দুয়োৰে উৰিবৰ মন,
মেঘমল্লাৰ ফাঁকে ফাঁকে।
সোঁৱৰণীৰ পাত লুটিয়াই হেজাৰ কথা পাতি পাতি সন্ধিয়াৰ বেলিটিক দিলোঁ বিদায়।
সোণাৰু, কৃষ্ণচুড়াক জোনাকে ল'লে সাৱটি,
ডেউকাত ডেউকা লগাই পখীবোৰো ঘৰমুৱা।
ভিন্নপথৰ দুটি প্ৰাণী আজি একেটি পথত।
কালিলৈ প্ৰভাতী সূৰুয ওলাব
সুখৰ কিৰণ লৈ।

# মোৰ ৰেস্তুৰালৈ স্বাগতম

আতিকুৰ ৰহমান
গুৱাহাটী

তুমি উত্তৰ বিহীন
বুলি মই জানো,
তুমি পিঞ্জৰাবদ্ধ বুলিও জানো,
পিছে কি ল'বলৈ ভালপাবা তুমি?
এপিয়লা বিষাদঘন চাহ
নে একাপ প্ৰেমময় উষ্ণ কফি
নে তুমি ল'বা এমুঠি ৰ'দৰ সৈ'তে
এপেগ জোনাক
নে চোবাবা সুখ দুখৰ এমুঠি জ্বালমূৰি...
তুমি ইয়াত পাবা
ৰঙীন সপোনৰ চপ্
আৰু পাবা জীৱনৰ টেঙা মিঠা জ্বলা চালাড
অ' এটা কথা জানানে
কিছুমান চিজনত
চকুপানীৰ জুচ খুবেই
জনপ্ৰিয় হয় ইয়াত ..
ইচ্ছা কৰিলে তুমিও
ল'ব পাৰা তাৰ স্বাদ
অৱশ্যে একো নল'লেও কথা নাই,
মোৰ ৰেস্তুৰাত যদি
তুমি ব্যস্ত জীৱনৰ
অলপ সময়ো পাৰ কৰাহি
মোৰ বাবে সেয়াই যথেষ্ট,
পিছে এটা কথা নাপাহৰিবা
মোৰ ৰেষ্টুৰাৰ পৰা
ওলাই যোৱাৰ আগেয়ে তুমি
দি যাবা অতিকৈ
অমূল্য এক সম্পদ
তোমাৰ ওঁঠৰ এটি
চেৰীফুল যেন হাঁহি।
মোৰ ৰেষ্টুৰালৈ স্বাগতম।



# শূন্যতা

ৰুণা লাইলা
গুৱাহাটী

তোমাৰ হৃদয়ৰ স্পন্দন শুনি
থমকি ৰৈছিলোঁ
সেই স্পন্দনে মোক বাউলী কৰিছিল
থমকি ৰ'বলৈ বাধ্য হৈছিলোঁ
প্ৰেমত, আকুলতাত।
হৃদয়ে বুজিছিল হৃদয়ৰ ভাষা
মৰমৰ আৱেষ্টনীত
কুচি- মুচি ,লেতুসেতু হৈ
তোমাৰ উশাহ
বুকুৰ ভিতৰত
সোমাই লৈছিলোঁ ।
উশাহবোৰত যে
ভাইৰাছ আছিল
মই ৰাৰু
কিয় নাজানিলোঁ ?
সেই ভাইৰাছে মোক
তহচ-নহ কৰি
তাচ্ছিল্যৰ হাঁহি মাৰিছিল ।
সেই অট্টহাস্যৰ
কোবাল সোঁতত
মই যেন উটি-ভাঁহি
গৈছিলোঁ দূৰ দিগন্তলৈ ।
পাৰাপাৰহীন দিগন্তলৈ
য'ত আছিল
কেৱল শূন্যতা
শূন্যতা, মাথোঁন শূন্যতা ।

# সুখৰ সমাধি

ড° সীমা বৰা
গুৱাহাটী

ইচ্ছা কৰিলেই তোমাক কিনি দিব পাৰোঁ
সুলভ মূল্যৰ শাড়ী
গৌৰী !
তোমাৰ প্ৰিয় ৰঙৰ শাড়ীৰ স্থান নাই আলনাত
সেই আক্ষেপ মই বুজোঁ
মধ্যবিত্ত অভাৰী পৰিয়ালৰ সদস্য তুমি
ইচ্ছাৰ পিয়লাত দৰিদ্ৰতাৰ ধোঁৱা
মাৰ চকুত স্পষ্ট মাথোঁ চিকিৎসাহীনতা
নিয়মীয়া ঔষধৰ অভাৱত বাঢ়ি থাকে দেউতাৰ বয়স
ভনীটিৰ সংসাৰৰ যন্ত্ৰণা কেতিয়াবাই পাহৰিলা
গৌৰী !

সুখৰ সংজ্ঞা এতিয়াও একেই আছেনে
একেই আছেনে এতিয়াও আশা-প্ৰত্যাশা
তথাপি ৰঙা খাৰুতেই শেষ
তোমাৰ সাপ্তাহিক অভিযোগ
কম দামী শাড়ীত বিলীন হৈ যায় মাহেকীয়া অভিমান
গৌৰী !
এদিন শুকাব দিয়া তোমাৰ চকুত
দুখৰ আৰ্দ্ৰতা ।

# আবদ্ধ প্ৰেম


টুটুমনি নাথ মেধি (ৰুমি )
মালিগাঁও

কি আছে জীৱনত
তোমাৰ বাবে...
মোৰ বাবেই...
সুখ দুখ আনন্দ আশা,
বিবেক, আকাৰ, মানৱীয়তা,
বিফলতা নে সফলতা,
এইখন এখন অভিনয় মঞ্চ,
অভিনয়ৰ প্ৰশিক্ষণ লৈছোঁ,
গভৰ্ত বীজ ৰোপণ কৰি,
মাক কষ্ট দি,
আজি সেই মা ৰাস্তাৰ দাঁতিত,
এসাঁজ ভাতৰ অপেক্ষাত,
এযোৰ কাপোৰ যন্ত্ৰণাত,
কি আছে জীৱনত ...
আনন্দ ক'ত ...
ঘৰত, মন্দিৰত, মানৱৰ হৃদয়ত,
যত হিংসাৰে জৰ্জৰিত পৃথিৱী ।
কি আছে জীৱনত,
সুখ বুটলিব গৈ দুৱাৰমুখত দুখৰ বোজা,
যৌৱনত, বিয়াৰ পিছত, নে বৃদ্ধ বয়সত,
সুখ তাতেই আছিল,
শৈশৱৰ সৌ অজান নিমাতত,
কি আছে জীৱনত,
প্ৰেমৰ পোহৰ দীপ্ত নে,
সচাঁ প্ৰেমৰ অনুভৱ,
প্ৰেমৰ বিশাল আকাশ বতাহ, বায়ু,
প্ৰেমিকে পাব জীয়াই থকাৰ সাহস,
একো নাই, আছে এখন নষ্টালজিক অন্তৰ ।
কি আছে জীৱনত,
সফলতাৰ আঁৰত টকাৰ মূল্য,
আছে যদি দম,সাহস,
চিনাকি বুলি ল'ব জীৱনত ।
এইয়াই জীৱন,
লওঁ আকোঁৰগোজ কৰি,
লোভ, মোহ, হিংসা, অহংকাৰেই পৰম আনন্দ বুলি ।



# মেটেকা ফুল

দীপাঞ্জলী বৰা
তেজপুৰ



বিলৰ উকা হৈ থকা
বন্দী পানীলৈ
আবেগৰ টোপোলাটো
দিলোঁ দলিয়াই ।
সামান্য ঢৌ খেলি
মাৰ গ'ল
নিজৰ মাজতে !
বন্দী পানীৰ ঢৌৱে
নকৰে যে হাবিয়াস
বা নহয় উত্তাৰল
সাগৰৰ ঢৌৰ দৰে
দুপাৰ চুবলৈ ।
মেটেকা ফুলবোৰ নিৰলে ফুলে
বিলৰ বন্দী পানীত ।
ৰঙা পাখিৰ
জিঞাবোৰে ৰংমনে
চুমে লাহি পাপৰি ।
ভাবে মনে মনে
ইয়াত যে গোলাপৰ দৰে
কাঁইট নাই বিন্ধিবলৈ ।
ৰ'দ বৰষুণ নেওচি
সৌন্দৰ্যৰ পোহাৰ মেলে
মেটেকা ফুলবোৰে ।
মাছৰোকা চৰাইটোৱে পৰদি
ৰৈ থাকে নিৰীহ
মাছজনীৰ লালসাত ।
তাৰ মাজতে আজলী
ভেকুলীজনীক
ঢেঁওৰ সাপটোৱে
খাপ পিটি ধৰে !
ভেকুলীজনীৰ কাতৰ
বেদনাভৰা মাতে
সোঁৱৰাই দিয়ে
মৃত্যুৰ বিভীষিকা !
বাকী প্ৰাণী কুলক
দিয়ে আগজাননী
আগন্তুক বিপদৰ ।
এনেকৈয়ে
বন্দী পানীখিনি
সাক্ষীহৈ ৰয়
অযুত উৎপীড়নৰ।
তথাপিও ফুলি থাকে
মেটেকা ফুলবোৰ
আজলী আঁকৰীৰ দৰে
আপোন পাহৰা হৈ !



# সময়ৰ কথা

উজ্জ্বলা বৈশ্য
গুৱাহাটী

কিনো কবা সময়ৰ কথা
সময় আহে, সময় যায়
হুহুৱাই যায় , কন্দুৱাই যায়
সুসময়, দুঃসময় ।

পাহৰণি হৈ গুচি যায়
সোঁৱৰণি হৈ উভতি আহে
সুসময়ে মন ভৰাই তোলে
দুঃসময়ে মন বিষাই তোলে ।

সময়ৰ কাম
কেৱল অহা-যোৱা
বিৰামহীনভাৱে , লেঠাৰিনিচিগাকৈ
সময় আহে, সময় যায় ।

# সপোন

ৰবিন কুমাৰ চেতিয়া
ধেমাজি

গুটিৰ পৰা জন্ম হয়নে পুলিৰ পৰা
হয়তো কোনোৱে নাজানে
মন গ'লেও যাযাবৰী সপোনক
কোনেও কেতিয়াও
বাধা দি ৰাখিব নোৱাৰে
সুখৰ দুখৰ যিকোনো সময়ত
সপোনে সুহুৰিয়াই
ঠানবান হোৱা সপোনত
হঠাতে কেতিয়াবা কাৰোবাৰ
জীৱনৰ গতিয়েই সলনি হৈ যায়
জীৱ-জড় সকলোৱে সপোন দেখে
সপোন দেখিলেও সপোনক পিছে
কোনেও নেদেখে
সপোনৰ নাথাকে কোনো পৰিচয়
সপোনৰ নাথাকে কোনো ঠিকনা
মনৰ দাপোণত উজ্বলি উঠা সপোনৰ
বেছিভাগেই সপোন হৈয়ে থাকে
সপোনৰ কিবা ধৰ্ম আছে নে
মই নেজানো
সপোনৰ কিবা সীমা আছে নে
মই নুবুজো
আচলতে সপোন সপোনেই
অনুভৱত কঢ়িয়াই ফুৰা
এখন সাগৰৰ নামেই সপোন
এটা সপোনৰ স'তে আন এটাৰ মিল
নাথাকিব ও পাৰে
যিদৰে নাই তোমাৰ স'তে মোৰ



সপোনৰ ৰংবোৰ সাবটিব পাৰিলেই
জীৱনটো হয় হাঁহিৰে ভৰপুৰ
সপোনৰো থাকে জিলিকাৰ সময়
সপোনৰ কথাবোৰো কেতিয়াবা মাথোঁ
কেৱল কথা হৈয়ে ৰয়
বাস্তৱ অবাস্তৱ চিনাকি অচিনাকি
সপোনে কঢ়িয়াই অনুভৱৰ নৈ
তোমাক ভাল পাব পৰাকৈ
সপোন এটা সদায়ে পুহি ৰাখিছোঁ
তোমাৰ নদীত সাঁতুৰিব পৰাকৈ
প্ৰতিদিনে নিজকে সজাইছোঁ পৰাইছোঁ
সপোনৰ পিছত দৌৰা দৌৰি কৰি
জীৱনত মাথোঁ হাবাথুৰিহে খাইছোঁ ...

# সন্ধান

পাৰু মহন্ত
গুৱাহাটী

মোৰো বৰ হেঁপাহ
এমুঠি সেউজীয়া জোনাক সাৰটিবলৈ--
নিদ্ৰাহীন ৰাতিৰ বুকুৰ অৰণ্যত
কেতেকীৰ হিয়া ভঙা বিননী
ভগ্ন হৃদয়ৰ উচুপনিত
সাৰ পাই উঠে পদূলিৰ শেৱালিজুপি।
এন্ধাৰৰ ৰং বিশ্লেষণ কৰো
ক'লা নে ডাঠ সেউজীয়া ?
চঞ্চলা বতাহজাকৰ বোকোচাত
ডাৱৰৰ আলফুলীয়া লাহি বতৰা ।
বিজ্ঞাপন এটা উৰি ফুৰে
পোহৰ সৰি পৰাৰ।
অহৌবলীয়া মই
অহৰ্নিশে মইতো
তাকেই বিচাৰি ফুৰিছো ।
পথাৰৰ বকিয়াইদি পাৰ হৈ যোৱা
মাছৰোকা চৰাইটোৰ ঠোঁটত,
পদপথত গান গাই থকা
অন্ধ ভিক্ষাৰীটোৰ দোতাৰাটোৰ সুৰত,
গা গধুৰ আকাশে সহিব নোৱাৰা
ডাৱৰৰ টুকুৰা বোৰত-----
আকাংক্ষীত সপোনবোৰ
সোঁৰে-বাওঁৰে উমলি ফুৰে
আখৈফুলিয়া ৰ'দজাক
আঙুলিৰ ফাঁকেৰে সৰকি পৰে
চুই চাব খুজিলেই চোন
ক'লা মেঘ হৈ টোপা টোপ সৰে!
পোহৰবোৰ খেপিয়াই চাব খোজো
কৃষ্ণগহ্বৰৰ পিৰালিতো।

সংস্কাৰধ্বনি ফাউণ্ডেচন
Sanskardhwani Foundation

**ষষ্ঠ ভাগ**

**সম্পাদনা**

মৌচুমী ৰাজখোৱা





# নৈপৰীয়া আই

প্ৰণৱ কুমাৰ
মঙলদৈ

মানুহ আৰু মানুহৰ চাকনৈয়াত পৰি
আইয়ে ব'ঠা বাব শিকিলে।
বুকুত বন্ধা মেঠনিৰ গাঁঠিৰ জোৰেৰে
আইয়ে নাও বাব জানে।

নাৱৰ উন্মুক্ত বুকুৰ মাজৰ পৰা
আমি প্ৰায়েই সীমাহীন আকাশৰ নগ্ন সৌন্দৰ্য্যৰে
খেলা কৰি আহিছো ।

আমিবোৰ বৰ শূন্য...
তথাপিতো আমি বৰ ক্ষান্ত ।

পাশা খেলৰ যেন আমি আউল ।
নিতৌ পৰাজয়ৰ মুকুট পিন্ধা আমিয়েইতো
হাস্যাস্পদ ।
লোভ নোহোৱাকৈয়ে প্ৰলোভনৰ মোহনাত
বাৰে বাৰে দিক বিদিক হেৰুৱাও ।

তথাপিটো আমি সুখী ...
আইৰ উন্মুক্ত নাৱৰ বুকুত লেলাৰতিৰে শুকাই
যোৱা ডিঙিত তৃপ্তিৰ পৰন সানি ।

# ভালপোৱা

বিন্দু ৰাজবংশী কলিতা
মঙলদৈ

মই তেওঁৰ কোনো নহয়,
কোনোদিনে তেওঁৰ স'তে
জোনাকী নিশা মই
আকাশৰ তলত একেলগে
বহি পোৱা নাই
তেওঁৰ শৰীৰৰ সুগন্ধই
মোক উদ্বাউল কৰা নাই।
আমি এদিনলৈও একেলগে
বৰষুণত তিতি পোৱা নাই।

ডাইনিং টেবুলত
তেওঁৰ লগত বহি
মই কোনোদিনে
এসাজ খাই পোৱা নাই।
অফিচত যাবৰ সময়ত
ৰুমাল আৰু ঘড়ীটো মই
কোনোদিনেই
তেওঁৰ হাতত তুলি
দি পোৱা নাই,

আবেলিৰ চাহকাপ
কাহানিও মই
তেওঁক যাচি
পোৱা নাই,
সন্ধিয়া খিৰিকীৰ কাষত
তেওঁৰ বাবে মই
ৰৈ থকা নাই।
মোৰ জন্মদিন তেওঁ
মনত ৰাখি পোৱা নাই।
মোৰ উদাসীন মনক তেওঁৰ হৃদয়ে কোনোদিন
স্পৰ্শ কৰি পোৱা নাই।

অথচ তেওঁক মই বুকুত ৰুইছোঁ
ক্ৰমে তেওঁ মোৰ বুকুৰ
শীতল ছাঁ হৈ পৰিছে,
সেই ছাঁত মই জিৰাইছোঁ
দুখত, অৱসাদত,
বিষাদৰ সময়ত।
তেওঁ দিনৰ পোহৰতো
মোক মনত নেপেলাই
অথচ মই ৰাতি টোপনিতো
তেওঁৰ ভাবনাতে বিৰবিৰাও

তেওঁ হয়তো নুবুজে(বুজিব নালাগে)
মই মৰি মৰিও তেওঁৰ,
জীয়াই থাকিও তেওঁৰ!
হেপাঁহ অথবা বাসনা
এনেধৰণৰ বহু শব্দই
মোৰ অভিধানত নাই।
অথচ , অথচ
তেওঁ অবিহনে মই
জীয়াই থাকিব নোৱাৰো...
মই জীয়াই থাকিব নোৱাৰো।



## সপোনৰ কাৰাগাৰ...

মলয় ৰাজ
মঙলদৈ

এটা ভেটি গঢ়িবলৈ
যিমান মাটি লাগে
সেয়া সীমিত
কিন্তু সপোনৰ ভেটি গঢ়িবলৈ আবেগৰ পৰিসীমা
নাই।

শৈশৱৰপৰা যৌৱনলৈ
নিৰৱচ্ছিন্ন ৰেখাডালত
সময়ে সময়ে সংজ্ঞাবোৰ সলনি হৈ আহে
সেই সলনি হোৱা সংজ্ঞাবোৰ
পুনৰ থিতাপি লগাবলৈ
একে অংককেইটাৰে উপস্থাপন অনিবাৰ্য।
এদিন উচ্চ অট্টালিকাৰ ৰজা হোৱা আশা কৰা নাই
মাত্ৰ জীৱনৰ গতিপথত থমকি নোৰোৱাকৈ গৈ
থকাৰ প্ৰয়াস
তথাপি এতিয়া বন্দী সপোনৰ কাৰাগাৰত।



# শিল ভঙা মানুহৰ আত্মকথন

মাণিক ডেকা
মঙলদৈ

দুহাতৰ শক্তিৰে
শিলৰ কঠিনতা জোখো
প্ৰতিনিয়ত।
একোবত নভঙা শিলটোলৈ চাই
নিজকে কোৱাদি কওঁ
জীৱনতকৈ কঠিন তই হ'বই নোৱাৰ!

# যি হ'ব দুখৰ দিনৰ কবিতা

জীৱন শৰ্মা
মঙলদৈ

বৰ বেছি আবেগত ক'ব পাৰা তুমি
মোক ভালপাওঁ বুলি
মই জানো –
তুমি মোৰ হ'ব নোৱাৰিবা
হ'বই নোৱাৰিবা তুমি মোৰ
কাৰণ
পৰ্বতৰ টিঙৰ বৰফ গলি
বৈ অহা শীতল নিজৰা তুমি
আৰু মই—
মই এটি উত্তপ্ত আগ্নেয়গিৰি

মই জানো -
এদিন তুমি যাবাগৈ গুচি
যিদৰে এৰি যায় পথিকে পান্থশালা
সেইদিনা বৰ বেছি খেলিব পাৰিম
ৰঙচুৱা পানীয়ৰে বন্ধুৰ স'তে
কোনোবা বীয়েৰবাৰৰ চুকত বহি
কুণ্ডলী পকোৱা চিগাৰেটৰ ধোঁৱাৰে
ধুৱলীকুঁৱলী কৰি
আৰু হয়তো লিখিব পাৰিম এটা কবিতা
যি হ'ব
দুখৰ দিনৰ কবিতা ।

# অনুভৱ

চাজিদা বেগম
মঙলদৈ

নিশা উজাগৰী ময়ূৰ পাখিৰে লিখা
তোমাৰ নামৰ অনুভৱবোৰ খোলো।
ডালিম গুটিয়া দাঁতৰ
এমোকোৰা হাঁহিৰ টোপোলাটো...
মোৰ হৃদয়ৰ এন্ধাৰ কোঠালীৰ
কোনোবা এচুকত ওলমি থাকে।
ক'বলৈ বহুত কথাই থাকি যায়
নিঃশব্দ বান্ধোনেৰে
মাথো হৃদয়ে হৃদয়ে
এখনি নৈ বৈ...
আৰু অৰ্থবোৰ বিচাৰি ময়ো তাতেই জাহ যাওঁ।
মোৰ অনাবিল, অকপট ভালপোৱাৰ অনুভৱ তুমি,
মোৰ প্ৰতিটো শব্দৰ সৃষ্টিৰ শৈলী তুমি।
প্ৰেম পিয়াসী মই,
আৰু মোৰ অমল যৌৱনৰ
অনুভৱী হিয়াৰ মৌপিয়া চৰাই তুমি।
মৰমবোৰ মৰম হৈ থকাৰ..
আৰু ভালপোৱাবোৰ ভালপোৱা হৈ থকাৰ প্ৰতিশ্ৰুতি
শব্দটোৰ
জীয়া আত্মীয় অনুভৱ তুমি।
নিশাৰ গভীৰতাত
মোৰ নিভাঁজ হৃদয়ৰ এখিলা পাতত
নিয়ৰসনা ৰঙীন অনুভৱৰ টোপোলা তুমি।।

# বিপন্ন ব'হাগৰ দুটা স্তৱক

(ফাগুনৰ আলাপ)

সমীৰণ শৰ্মা
মঙলদৈ

১)

ধনী ছোৱালী,
তুমি দামদৰ নকৰাকৈ কিনি আনিবা এপাহি গোলাপ।
মই ব'হাগী গানত
বিক্ৰী কৰিম বাসন্তী বিলাপ ।

২)

ধনী ছোৱালী,
তুমি পঞ্চাশ শতাংশ ৰ'দত বিক্ৰী কৰিবা নিচলা নদীৰ ঘাট।
বসন্তৰ বদনামত মই কিনি পেলাম তুমি অহা যোৱা কৰা বাট।



# ৰং

হিৰন্ময়ী মেধি
মঙলদৈ

ফাকুৰ ৰঙৰ আঁৰতো থাকে বহুত ৰং
কৃষ্ণই জানিছিল সেই কথা
আৰু ৰাধাইও ঠিকেই চিনিছিল

কৃষ্ণচূড়া, শিমলু, পলাশ বা সোণাৰু
ব'হাগ, শাওণ, আঘোণ বা ফাগুন
ৰংবোৰৰ সকলোৰে আঁৰত
একো একোমুঠি ফাকুগুৰি
অথবা একো একোখন ৰামধেনু

একেখন ৰঙৰ নিজৰা
সূৰ্যটোৰ বুকুতো বৈ আছিল
নিচেই পুৱাতে উঠি তাৰে এচলু মই
তোমালৈ গোপনে সাঁচিছিলোঁ

তুমি নোহোৱাৰ কথাটো পুৰণি হ'ল
অথচ ৰংবোৰ বুকুৰ মাজতে আজিও
একেই দগমগীয়া ।

# ষ্টপেজ

জয়িতা শাণ্ডিল্য
মঙলদৈ

ৰৈ যোৱা কথাবোৰ পাতিবলৈ
ৰৈ যাওঁ কেতিয়াবা...
হঠাৎ আকাশখন ডাৱৰীয়া হয়,
এৰি অহা প্ৰিয় ষ্টপেজটোক
বৰষুণে আঁকোৱালি লয়।

নিৰৱচ্ছিনতাক এটি ষ্টপেজ লাগে,
ধাৰাবাহিকতাৰ মলিনতা আঁতৰাই
স্মৃতিৰ হেঙুলীয়াত বিলীন হ'বলে
অৱসাদৰ হেঙাৰখন উজাৰি
নৱ পথৰ পথিক হ'বলে.....

ফাগুন মানে নহয় সৰাপাতৰ কবিতা,
নহয় বিদায়ৰ লঠঙা বেলা।
মাথোঁ এক ব্যতিক্ৰমী প্ৰচেষ্টা
পুনৰ উজ্জীৱিত হোৱাৰ,
উৰুঙা ফাগুনক জীপাল কৰাৰ!


শৰবিদ্ধ পক্ষীয়েও জিৰণি লয়
ষ্টপেজে দিয়ে আলোকময়ী গতি।
আমিতো পক্ষী সপোন সন্ধানী
বিদায় সম্ভাষনো যেন উষ্ম আদৰণি!

ৰৈ যোৱা কথাবোৰ পাতিবলৈ
ৰৈ যাওঁ কেতিয়াবা...!

# কৃষক মোৰ পিতাই

শাশ্বতী শৰ্মা

পিতাৰ ফিচিকা তিয়নীৰে এটোপাল ঘাম গৈ
মাটি চুলে
পলসুৱা হয় পিতাইৰ মাটি
বছৰি পূৰ্ণিমাত গৰ্ভৱতী হয়
শইচ পথাৰ
এই বেলি কুমাৰী মাটিডৰা
তেনেকৈয়ে ৰ'ল
হালৰ বলদ এটা
চবকাত মৰিল
ভদীয়া কলমৌত মলঙি থাকিল
মাটি চহকী কৰা পিতাইৰ সপোন
বেজাৰৰ গৰাখহনীয়াত
উটি গ'ল আই
সেঁতা পৰি ৰ'ল
বতাহত চুলি মেলি বৈ থকা
আবিয়ৈ ভনীজনীৰ
ওঁঠৰ হাঁহি
ময়ো নোৱাৰো ধৰিব
নাঙলৰ মুঠিত
সভ্যতাৰ যন্ত্ৰই সুঁহি নিছে
মাটি-পানী ভাল পোৱা মোৰ
সমস্ত অনুভূতি
আপাততঃ
টৌখেলা বতাহ এছাটিয়ে
কঁপাই তুলিছে পিতাৰ
চৌধ্যপুৰুষীয়া চালিখন
কমলা আবেলিটো পিঠিত তুলি
কৃষক পিতায়ে মোৰ
আঙুলিমূৰত গণি আছে কেৱল
মাটিৰ গোন্ধময় সময়।



সংস্কাৰধ্বনি ফাউণ্ডেচন
Sanskardhwani Foundation

# সপ্তম ভাগ

## কাৰ্যবাহী সম্পাদক

উৎপল গোস্বামী



# জিলিকা পানী ডোঙা

কাৰেং বৰুৱা
ডিব্ৰুগড়

সেউজীয়া ধাননি ডৰাত
সন্ধ্যা ফৰিং ফুটা জোনাকৰ জাপি
জিলিকা পানী ডোঙাত
সোৰণ-দৰিকনা, গৰৈ চিৰিকা, পুঠি
পোনাকণৰ বানত আঁখে ফুটিছে
আমাৰ গাঁৱলৈ শৰৎ নামিছে।
বননি  চিকুনাই
শাকনি  মোকলায়
ৰ'দে আধা  পোৰে
জুইয়ে আধা  পোৰে
জাৰ্মানী বনৰ ধোঁৱাই
আৰু কঁহুৱা ডৰাই
নীলআকাশত কুণ্ডলী পকাই
শীতল বতাহে
শেৱালিৰ সুবাসে
লাহে লাহে শৰৎ আহিছে।
ধানে বৰণ সলোৱা আগে
তাঁত এযুটিলৈ মন
চোতালত শাৰি পাতি
গাঁৱৰ গোপী গণ
উঘা চেৰেকীৰ মাত
পকোৱা সূতাৰ পাক।
দুজুপি কেচেউ  পাতেৰে
এৰাঁ মুগাৰ সঁচ
শীতৰ উৰুকাত
এসাঁজ নিজলৈ
এসাঁজ মিতিৰলৈ
মুগাৰ খোলাৰে
দুখনি এৰি চাদৰ বয়
এখনি পিতাইলৈ
এখনি চেনাইলৈ।
দিন যেন জোনাকে শীতল বতাহে
আমাৰ গাঁৱলৈ শৰৎ নামিছে।



# আমি অনাথ শিশুৰে কৈছো

নয়নমনি বৰা
বিশ্বনাথ চাৰিআলি

হে মানৱ সমাজ
আমি অনাথ শিশুৰে কৈছো
শুনা, আমাক অৱহেলিত নকৰিবা
আমি গৰাকী বিহীন নহয়
আৰু নহয় পিতৃ-মাতৃ হিনা ।
যদিওবা নিদিলে জন্ম দাতাই পৰিচয়
তথাপিও নহয় আমি হীন পৰিচয় ।
আমি অনাথ শিশুৰে কৈছো অ'
আমাৰো আছে একো একোজন গৰাকী
যেনেদৰে থাকে পালনহাৰ জীৱজগতৰ নিয়ন্তা
ঠিক তেনেদৰেই, সচাঁ মৰমেৰে আকোঁৱালি লোৱা
আছে আমাৰো মা-দেউতা ।
হে মানৱ সমাজ—
আমি অনাথ শিশুৰে কৈছো
জন্ম দিলেই সন্তান তেওঁলোকৰ হ'ব নোৱাৰে
যদি সচাঁ মানৱতা ৰূপত ডাঙৰ নকৰে
কৈছো আমি অনাথ শিশুৰে-'
পিতৃ মাতৃৰ পৰিচয় ঢাকি ৰাখি
আমাক দলিয়াই দিছিল অ' নিষ্ঠুৰ ভাবে
সেই সকলক জানো পাৰি
জন্ম গুৰু বুলি আখ্যা দিবলে।
কৈছো আমি অনাথ শিশুৰে
সেই জনেই আমাৰ পিতৃ
সেই গৰাকীয়েই আমাৰ মাতৃ
যিয়ে ডাষ্টবিনৰ পৰা তুলি আনি
পানি কেঁচুৱাৰ পৰা লেদেনা উকতি
আমাক মানুহ কৰাৰ সপোন দেখিছে অ'
সেই সকলেই আমাৰ প্ৰকৃত পিতৃ মাতৃ
আমি অনাথ নহয় আজি-।
আমি গৌৰৱেৰে চিঞৰি চিঞৰি কওঁ
যিয়ে আমাক লালিছে পালিছে
মানুহ কৰাৰ দুৰন্ত চেষ্টা কৰিছে
তেওঁলোকেই আমাৰ অতীৱ শ্ৰদ্ধাৰ
পিতৃ-মাতৃ
আমি অনাথ নহওঁ আজি
আমি অনাথ শিশুৰে কৈছো অ'
আমি অনাথ শিশুৰে কৈছো ।

# শুভ নৱবৰ্ষ

প্ৰভাত নাথ
মাজুলী

আঁহো বুলিয়েই তুমি গুচি আহিলা..
আমাক এবাৰো একো নোকোৱাকৈ..
যাওঁ বুলিয়েই এদিন গুচিও যাবা...
কাকো একো নজনোৱাকৈ...
তথাপি তুমি আকৌ আহিছা...
আমাৰ ভগা পঁজালৈ...
কিনো দিম কিনো খাবা..
কিমান মৰমে গুচাব তোমাৰ হেঁপাহ ..
কাক লৈনো তোমাৰ ইমান হুঁতাহ...
আমাক মাথোঁন এবাৰ কৈ যাবা ।
যিদিনা আহিবা , আহিবৰ বেলিকা ...
তুমি আগতীয়াকৈ জনাবা.....
আমি তোমাক আদৰি আনিম.......
আমাৰ পদুলিৰ পৰা ..
নাপাহৰিবা ।
আয়ে দিব অযুত আশা..
পিতায়ে দিব দুহাত উজাৰি আশীষ..
ভনীয়ে দিব ফুলাম গামোচা...
ভাইটিয়ে দিব খোপা শুৱাই ফুলৰ থোপা..
বৌৱেৰাই দিব চাহ জলপান...
লগতে এখন তামোল...

মইনাই দিব মৰমৰ মাত...
মইনো বাৰু কি দিম কোৱা...

তুমি মাথোঁ আগতীয়াকৈ আহিবা...
আমি ভোগদৈয়েদি ভটিয়াই গৈ ...
বুঢ়া লুইতৰ পাৰতে বহি...
সকলোৱে মিলি ন বুলিয়েই এসাঁজ খাম ।

# ভৰসা

প্ৰণীতা শইকীয়া তালুকদাৰ
তেজপুৰ, লালমাটি

ভৰসা শব্দটো
মই দেখা নাই।
কিম্বা
চুইও চোৱা নাই -
এই যে তেজক ভৰসা কৰি
গঢ়ি উঠা সমন্ধবোৰে
ভৰসাত -
ভৰসা কৰেনে চিৰদিনে !
মায়ে আগবঢ়াই দিয়া
তৰ্জনী আঙুলিটোৰ
বা পিতাইৰ দুভৰিৰ খোজৰ শব্দতে
হয়তো
মোৰ ভৰসা শিপাইছিল নিতে ।
চিনাকি হৈছিলো তাৰ সৈতে ।।
সেই সুবাদতে মুৰ তুলি চাইছিলো
চাৰিটা দিশৰ, চাৰিটা প্ৰহৰক-
হাতৰ মুঠিলৈ অনাৰ আপ্ৰাণ চেষ্টাৰে ।।
দেখিছিলো
লাওজোপাই ভৰসা কৰি
আগুৱাই যোৱা চাঙখনৰ -
দামুৰিটোৱে ওহাৰত খুন্দা মাৰি
ভৰসা কৰা গাখীৰ খিনিত -
লুকাই থকা সত্যখিনিৰ দৰেই ।।
শিৱলিংগটোত মুৰ খুন্দিয়াই
মাকে পাপুক বচাই দিবলৈ কোৱা
ভৰসাত থকা
সত্যবোৰ একাকাৰ হৈ যায়নে !
ককাই আইতাৰ মুখ নেদেখাকৈয়ে
হোমাগ্নিৰ সাক্ষীত লুকাই থকা
নিৰ্ভেজাল, লৌহকঠিন সমন্ধক
শিকলি লগাই বান্ধি দিছিল ভৰসাই -
এৰাব নোৱাৰাকৈ
ভৰসাৰ সৈতে
সত্য সুন্দৰতাৰে ।।
সময়ৰ ভৰসাত পাৰ কৰা
বাত বিষে কোঙা কৰা
চেনীমাইৰ জীৱনে -
পাৰ কৰে ৰঙচুৱা জীৱনক
নীলা নীলা ৰঙৰে
একেই ভৰসাতে ।।
কইনাৰ ভৰসাত
ওৰণিয়ে হাঁহি মৰাৰ দৰেই -
পুৰাটোৱে ভৰসা কৰা
আবেলিটোৱে
ক্ৰমাৎ গতি কৰা সন্ধিয়াটোত
বিলীন হৈ বেলিটোৰ পৰা খুজি মাগি অনা
ভৰসাত
দিনটোৰ পৰিপূৰ্ণতা বিচাৰে
একেদৰেই সত্যৰ সন্ধানতে ।
আজিকালি ভৰসাবোৰ -
ঠেৰু ছিগা লাওটোৰ দৰেই
বাগৰি বাগৰি পৰে ।
সেয়েহে ভৰসা কোনেও নকৰে ।।
কৰিলেই লাজত লাজুকীলতাৰ দৰেই
জয় পৰিব লাগে!!

# এটি অজ্ঞাত প্ৰশ্ন

ৰাজীৱ নেওগ
চাবুৱা, ডিব্ৰুগড়

গৈ আছোঁ ...
কিন্তু কলৈ যাম
সীমাহীন লক্ষ্য !
মনৰ ভিতৰত সৃষ্টি হোৱা
ক্ষত-বিক্ষত অনেক প্ৰশ্ন ,
পাম জানো ইয়াৰ উত্তৰ ?
মোৰ বুলি কবলৈ ...
আছে জানো কিবা ,
এই পৃথিৱীত !

মাথোঁ গৈ আছোঁ ...
আশাৰ পৰা নিৰাশালৈ
শান্তি পৰা অশান্তিলৈ ...
মোৰ অলক্ষিতে
আন্ধাৰৰ পৰা পোহৰলৈ
নে ...
পোহৰৰ পৰা আন্ধাৰলৈ ?
চৌপাশে দেখোন ...
কেৱল হেৰুৱাৰ দুখ ,
মাথোঁ বুকুখন কঢ়িয়াই ফুৰিছোঁ ...
মৃত্যুৰ দিশে ...
কি পালোঁ কি হেৰুৱালোঁ !
পাৰিম জানো ..
মুকলিকৈ ক'ব ?
জীৱন মানে
অনেক আশা, অনেক স্বপ্ন
তথাপিও আজি নীৰৱ মোৰ কণ্ঠ
সকলোবোৰ যেন
এটি অজ্ঞাত প্ৰশ্ন !



# অনুভৱ

নীলিমা মহন্ত
শোণিতপুৰ

শব্দবোৰ উজাই আহিলেই
গোন্ধ পাওঁ,
অনুভৱৰ কেচেমা কেচেম গোন্ধ !
শব্দৰ লুকা-ভাকুত চিকুট মাৰি ধৰে
এবুকু উশাহ।
উশাহবোৰ গভীৰ হ'লে নিশাবোৰ হেৰাই যায়
ঘন হয় নিশ্বাসৰ বন্যা ।
কিমান গভীৰ হ'লে নিশাবোৰ ধৰ্ষিত হ'ব পাৰে
অমানিশাৰ ৰাসলীলাত !
বিবেকে প্ৰশ্ন কৰে,
তথাপিওতো উজাই লওঁ
শব্দৰ বাকবন্ধ্যা ..
দূৰৰ আকাশৰ তৰাবোৰত বিঘ্নিত হয়
সাৰে থকা নিশাৰ উন্মুক্ত ছন্দ ।
হয়তো লিখি শেষ নহ'ব
হেঁচি ৰখা হৃদয়ৰ সাঁচি থোৱা শব্দ !
তেজৰঙী শব্দবোৰে আঁচ টানে
শব্দবোৰ বৰফ হয়
শুই পৰে,
দুচকুত ভেঁজা দিয়া সপোন সামৰি
হয়তো ন সুৰুযৰ প্ৰত্যাশাত
নৈ হৈ ব'বলৈ ....
সাক্ষী হৈ ৰ'বলৈ....

# সৰাপাত

মনময়ূৰী কলিতা
গুৱাহাটী বিশ্ববিদ্যালয

সুমথিৰাৰ দাগ
পৰিস্ফুট হোৱাৰ
অজুহাততে
বন্ধ হৈ পৰে
সালোক সংশ্লেষণৰ
জৈৱিক প্ৰক্ৰিয়া !

অতি কষ্টকৰ
অনিচ্ছা স্বত্বেও
ডাল চিগা
বিচ্ছেদৰ বেদনা।



পাত গছে
পাত সৰে
সেউজীয়াৰ পৰা
সুমথিৰা হোৱালৈকে
সুদীৰ্ঘ সময় লাগে।
ঠিকনা বিহীন
গছৰ পাতে কি জানে ?
ৰ'দ, বৰষুণ,
ধুমুহাৰ আঁচোৰ !
অঘৰী আত্মাৰ
হিয়া ভগা কান্দোন
ভূমিৰ বুকুত
কবৰস্থ  সপোন !

# সমুদ্ৰৰ সন্ধান

মায়াশ্ৰী দেৰী
গুৱাহাটী

দুবাহু মেলি দিছিলোঁ
প্ৰেম আহক বুলি,
হো হোৱাই আহিছিল বতাহ
শূন্যতা ঠেলি।
বুকুৰ দুৱাৰত টুকুৰিয়াইছিল
অজ্ঞাতকুলশীল কোনো দাম্ভিকে।
নদীলৈ যোৱা বাটটো
মই দেখুৱাই দিছিলোঁ
কৈছিলোঁ
“ নদীৰ লগত বৈ যোৱা
সাগৰ পাবা,
বিশালতাৰ হিচাব দিবা।”
তেওঁ কৈছিল
“সঞ্চিত মৰমৰ পৰা
বঞ্চিত নকৰিবা,
আকণ্ঠ পান কৰিম
প্ৰেমৰ মদিৰা।”
মোৰ হাঁহিত সময় কঁপিছিল
কৈছিলোঁ
“যৌৱন দাম্ভিক,
সময় অঘৰী
ভুল নকৰিবা
প্ৰেমে উজাই যায়
আকাশৰ পৰিধি,
উচ্চতাৰ লেখত তুমি শূন্য।”
অজ্ঞাতকুলশীলজনে
মুখাখন খহাইছিল,
অতি চিনাকি সেইজন এতিয়া
প্ৰতিটো সপোনৰ
বহু আকাঙ্খিত নায়ক
পথভ্ৰষ্ট প্ৰেমৰ প্ৰহৰী।
মই বুকুৰ দুৱাৰ খুলি দিলোঁ



ভিতৰত নতশিৰে
হাজাৰটা সূৰুজৰ জিলমিলনি,
এচুকত বহিছিলগৈ তেওঁ
কৈছিল
“সাগৰ বিচাৰি পালোঁ
ইয়াতে মুকুতা বুটলিম
আজীৱন।”
বুকুৰ দুৱাৰখন জপাই দিলোঁ
কাহানিও নোখোলোঁ বুলি
অসীমলৈ বুলি দলিয়াই দিলোঁ
বাদুলি সঁচাৰ কাঠী ।



# প্ৰস্তৰ

ৰঞ্জিত বৰা
তেজপুৰ

তোমাৰ চুলিত মুখ লুকুৱাই উৰি গ'ল
মন বনৰ আটাইবোৰ চৰাই
আকাশেও সমস্ত শৰীৰত
মেঘবোৰ পেলাই থৈ গ'ল

ক'ব বিচৰা বহু কথা ক'বলৈ সুযোগেই
নিদিলে
কেৰেচীয়া কেৰেচীয়াকৈ কটা বৰষুণৰ বাট
বোৰে

য'ত মোৰ চকু দুটা সুলকি পৰিছিল
তাত আজিও গছ নগজিল
তুমি গাঁথি দিয়া দুগালৰ দুটোপাল পানী
পোহৰৰ পিয়াহত মাথো লহপহাই আছিল।

# গান্ধাৰীৰ উচুপনি

দীপিকা শইকীয়া বৰুৱা

মহাকাব্য মহাভাৰতৰ
বহু চৰ্চ্চিত চৰিত্ৰ তুমি গান্ধাৰী।
ইতিহাসে কয় তুমি পতিব্ৰতা,
তুমি স্বামীভক্তা।
হস্তিনাপুৰৰ অন্ধ ৰাজাধিৰাজ
ধৃতৰাষ্ট্ৰৰ পত্নী তুমি।
দৃষ্টিসম্পন্না হৈও
ক'লা আৱৰণেৰে দুটি নয়নৰ
দৃষ্টি কাঢ়িলা তুমি!
আজিও নুবুজিলোঁ...
তোমাৰ অংগীকাৰ।
এবাৰো তোমাৰ মাতৃ হৃদয়ে হাহাঁকাৰ কৰি উঠা নাছিলনে?
শতপুত্ৰৰ নিষ্পাপ মুখবোৰ
নয়নভৰি চাবলৈ?
এবাৰো সন্ত্ৰাসিত হোৱা নাছিলানে—
পতিব্ৰতা নাৰীৰ অঙ্গীকাৰত বন্দী হৈ
ভ্ৰাতা শকুনিৰ ষড়যন্ত্ৰৰ জালত কৌৰৱৰ নিশ্চিত পৰাজয় দেখি?
এবাৰো স্পৃহা জাগি উঠা নাছিলনে?
শকুনিৰ ষড়যন্ত্ৰ ব্যৰ্থকৰি
কৌৰৱৰ জীৱনৰ সুৰক্ষাৰ তাগিদাত চক্ষু আৱৰণ মুক্ত হ'বলৈ
"যথা ধৰ্ম তথা জয়"ৰে আশীৰ্বাদ প্ৰদান কৰিলা,
শতপুত্ৰৰ আহুতি দিলা।
গান্ধাৰী——
চক্ষু আৱৰণ তোমাৰ প্ৰকৃততেই
পতিব্ৰতা নাৰীৰ অঙ্গীকাৰ আছিলনে?
নে তোমাৰ জীৱনত ভীষ্মই কৰা কোনো ভুল সিদ্ধান্তৰ অসন্তুষ্টিয়ে,
মনৰ গোপন কোণত পুঞ্জীভূত কৰা
ক্ষোভৰ বহিৰ্প্ৰকাশ আছিল?
গান্ধাৰী—
ইতিহাসৰ বুকুত আজিও তোমাৰ উচুপনি শুনো,
ইতিহাসৰ বুকুত আজিও তোমাৰ উচুপনি শুনো!

**অষ্টম ভাগ**

**সম্পাদনা**

চবিন চন্দ্ৰ নাথ



# প্ৰেমৰ ৰামধেনু

সনত কুমাৰ মহন্ত
ৰঙিয়া

আহানা দুখবোৰ
ভগাই লওঁ,
উভতি যাওঁ বলা
পাঠশালাৰ গণিতৰ ক্লাচবোৰলৈ,
বিয়োগে বিয়োগে
বোলে যোগ হয়।
তোমাৰ মোৰ
দুখবোৰ বিয়োগ কৰি
এসাগৰ হাঁহি ধৰি আনিম।
এজনে আনজনলৈ
আৱতৰীয়া ফাকুৱাৰ
ৰং ছটিয়াম,
তুমি নাচনী হ'বা
আৰু মই ঢুলীয়া,
প্ৰেমৰ মাহ
বহাগক আগতীয়াকৈ
নিমন্ত্ৰণ দিম।
তোমাৰ দেহৰ ভাজে
মোৰ ঢোলৰ চেও
বঢ়াই দিব
বঢ়াব শৰীৰৰ উন্মাদনা
আহানা দুয়ো এক
হৈ যাওঁ,
হাঁহিৰে ৰামধেনু সাঁজো।
নেজাল তৰাৰ
নেগুৰত ধৰি
সূৰুযৰ ফালে ধাৱমান হওঁ।



# মাতৃ দিৱসৰ অনুভৱেৰে

ৰঞ্জিতা হাজৰিকা চেতিয়া
লখিমপুৰ

আজলী মোৰ আইজনী
আজলী মোৰ আইজনী
পুৱাৰ পৰা গধূলিলৈ
টাকুৰি ঘূৰাদি ঘূৰি
খৰস্ৰোতা নদী হৈ
বৈ যায় সময়ৰ বাকৰিত।
উশাহত নিগৰে
সপোন পুৰতি
মোক লৈ আইয়ে
গোপনে গোপনে
দেখে আশাৰ পৃথিৱী।
আইৰ পিঠিত
ৰুটি সেকা ৰ'দ
বুকুৰ কলিজাত
বিষাদৰ ঢৌ
তথাপিও আইৰ
মুখত অহৰ্নিশে বৰষে মৌ।
পিতাইৰ শিলকঠিন
হৃদয় গৰকি
আজলী মোৰ আইজনীয়ে
আঁজুৰি বোৱাই
শান্তিৰ নিজৰা।
আইৰ মহীয়সী ত্যাগত
পিতাইৰ হৃদয়
যেতিয়া বৰফ হৈ গলে
তেতিয়া আই-পিতাইৰ
বান্ধোনৰ চোতালত
সুখৰ আখৈ ফুল ফুলে।

# পতন


জিতা মণি শৰ্মা
নগাঁও, জখলাবন্ধা

আজি মোৰ মৃত্যু সমাগত,
আগবাঢ়িছোঁ পৰলোক দিশে।
মোৰ দেহৰ এটা, এটা অংগ
সিহঁতে ছেদন কৰি নিছে।
মোৰ আত্মাটো তিমিৰলৈ
ধাৱমান হৈছে।
চুৰ্চুমৈ হৈ পৰা দেহৰ
আদিভাগৰ জীয়াতু দেখি
বিচলিত হৈ পৰিছোঁ।
মোৰ মৃত্যুত মই মোৰ বাবে চিন্তা
কৰা নাই।
শিয়ঁৰি উঠিছোঁ সিহঁতৰ বাবে,
সিহঁত যে অবুজন।
সিহঁতৰ মনত জিঘাংসাই
খোপনি পুতিছে।
মোৰ দৰে মোৰ বংশৰ
সকলোৰে একেই গতি হ'ব।
মই প্ৰায় শতাধিক বছৰ ধৰি
ঠিয় হৈ আছিলোঁ।
মোৰ দৃষ্টিৰ আগতেই এই ঠাইত
নতুন নতুন মুখ হ'ল,
পুৰণিবোৰ নোহোৱা হ'ল।
এখন সৰু গাঁও গুচি
ডাঙৰ গাওঁ হ'ল।
এৰাবাৰী গুচি সিহঁতৰ বসতি হ'ল।
সিহঁতৰ বংশ বাঢ়িয়েই থাকিল।
কমি গ'ল মাথোঁ পশু-পক্ষী,
বনৰীয়া সুৱাস।
খাল-বিল নোহোৱা হ'ল,
পথাৰ নোহোৱা হ'ল,
ভীৰ কৰিলে সিহঁতৰ সৃষ্ট সম্পদে।
মোৰ বংশৰ পতন দেখি
মই নিৰৱে দহিছিলোঁ।
সিহঁতৰ আসুৰিক তৃপ্তিত
লজ্জিত হৈছিলোঁ।
উপায় টো নাই---
সিহঁত যে বিধাতাৰ
সৰ্বোত্তম সৃষ্টি।
সিহঁতে আমাক ধ্বংস কৰি
গমেই পোৱা নাই,
আচলতে নিজৰে পতনক
আমন্ত্ৰণ জনাইছে।
আজি মোৰ মৃত্যু হ'ব--
কালিলৈ আন এজোপাৰ!
এদিন-
এদিন হয়তো সিহঁতৰো ।

# বেশ্যা

তীৰ্থ পিন্টু বৰা
যোৰহাট

প্ৰতি নিশা তেওঁ আহিছিল
কামনাৰ উতপ্ত জুইকুৰালৈ
বন কুকুৰাৰ দৰে আজুৰি আজুৰি
মোক বিবস্ত্ৰা কৰিছিল ;
স্তনযুগলত মূৰ থৈ
তেওঁ মাথো প্ৰলাপ বকিছিল ।
সৰ্ব শৰীৰ চুমাৰে উপচাই দিছিল
লিৰিকি বিদাৰি মোক উত্তেজিত কৰিছিল
লাহে লাহে ভালপোৱা - বিশ্বাস আদিত
মোৰ আস্থা হেৰাইছিল ;
ভালপোৱা জনেও
মোক উপেক্ষা কৰিছিল
সমাজেও মাথো ঘৃণা কৰিছিল
নিৰুপায় !
দেহৰ ক্ষুধা সহ্য কৰিব পাৰিলেও
পেটৰ ক্ষুধা অসহনীয় !
নাছিল কোনো সহায়ৰ হাট
খোলা আছিল মাথো বেশ্যালয়ৰ দ্বাৰ ।
উস্ ! বৰ অসহ্য
অচিন পুৰুষৰ লগত নৈশবাস ।
এবাৰ তেওঁ মুখলৈ চাই মাথো হাঁহিছিল
হয়তো ক'ৰবাত চিনাকি সুগন্ধ পাইছিল ।
মদাৰৰ দৰেই পৰি আছিলো মই
কেৱল নতুনৰ সন্ধানত
অনিচ্ছা স্বতেও মুখত সানি লৈছিলো
উগ্ৰ প্ৰসাধন আৰু !
আৰু যাঁছি দিছিলো
নাৰী জীৱনৰ সৰ্বস্ব ।
মাজে মাজে অসহ্য বিষ হৈছিল
কিন্তু পুত্ৰৰ ক্ৰন্দনে নিমিষতে
পাহৰাইছিল সৰ্বস্ব ।
সমাজৰ চকুত মই বেশ্যা
সন্তানৰ চকুত মই তাৰ মাক
আশা ভৰসা আৰু ভৱিষ্যৎ ।



# ভালপাওঁ অফুৰন্ত

ড° মোৰশেদুজ জামান ৰবীন
মানকাচৰ

মোৰ নিজা আকাশ থমকি ৰৈ গৈছে
ৰাতিৰ স্ৰোতত ভাহি,
মাথোঁ তোমাৰ প্ৰেমত পৰি।
জানানে,
মই সহজে প্ৰেমত পৰো,
পলকতে ভুলিও নেযাওঁ একোৰে
নোকোৱা কথাৰ তন্ত্ৰ তনুত পুৰো
ঠিক যেন হালধীয়া চিলাৰ বতাহ পাই
উৰুৱাই দিওঁ নিজকে
সপোনৰ আকাশত ।।

# ফাগুণ

কাশ্মীৰ কল্যাণ আহমেদ
বোকাখাট

কহুৱা তুলা হৈ মন উৰে
সৰা পাতত মই নমাৰ দৰে,
সেউজ সিক্ত প্ৰকৃতিৰ বুকুত
উন্মনা মন।

পলাশৰ ৰং,পছোৱা বতাহ
সেউজ বুলিয়া জীৱন।

শুকান পাতে দিয়া দুখবোৰ জোকৰি আঁতৰাই
গছবোৰ ক সুন্দৰকৈ সজাই তুলা
মইয়েই ফাগুন ।

বাৰিষৰ চকুলোৰে ধুৱাই নিয়া
ধূলিশাৰিত প্ৰকৃতি চঞ্চল,
ধৰাৰ বুকু শিহৰিত মোৰ স্পৰ্শত,
সেউজী প্ৰেমৰ পৰশ বিলাই যাও,
প্ৰকৃতিৰ আপোন,
মইয়ে ফাগুন ।

এই অভ্যাস বোৰত
অলংকৃত ধৰা,
জাৰৰ ধেমালি সামৰি আহি পালোঁ বন্ধু ,
আদৰি লোৱা মোক
আদিতম প্ৰেমৰ সেই মধুৰ ক্ষণত,
প্ৰেম তাৰেই পৰিণতি
যাৰ কোনো আৰম্ভণি নাই,
প্ৰেমৰ সূত্ৰত চিৰ যুগমীয়া
যুগে যুগে
সেয়ে মই ফাগুন ;

# সাংবাদিক

মায়াশ্ৰী ঠাকুৰ
যোৰহাট

দূৰৈৰ পৰা দেখাত
কাশ্মীৰৰ দৰে মনোমোহা,
দৃষ্টিনন্দন, নৈ-সিগতা
কিন্তু, আতঙ্ক বহুত।
সাংবাদিকৰ দায়িত্ব বহুত।
সাংবাদিকে হেনো হৃদয়েৰে নিলিখে
মগজুৰে লিখে,
ই হয়তো, সত্যৰ অপ্ৰলাপ।
কোৱা বাহুল্য যে
সাংবাদিকৰ পেছাটোৱে এনেকুৱা।
সাংবাদিকৰ দায়িত্ব বহুত
দায়িত্ব মানে,
চীন সীমান্তৰ গালোৱান চীনা সৈনিকে
দখল কৰা খবৰ,
ৰাছিয়াই ইউক্ৰেইনক ধ্বংসস্তূপত
পৰিণত কৰা ভিজুৱেল।
মুঠতে বহুত দায়িত্ব
ভাৰত-আমেৰিকা বা ৰাষ্ট্ৰসংঘৰ ভূমিকা
আনকি,
ৰাষ্ট্ৰপতি পুটিন বা
জেলেনস্কিৰ প্ৰেমিকা খবৰ ৰাখিব লাগে
সংবাদ মাধ্যমে।

# ব্ৰহ্মপুত্ৰ

ৰেখা ৰাণী বৰা
ৰহা, নগাঁও

তুমি ব্ৰহ্মাৰ মানস পুত্ৰ
জন্ম লভিছিলা শান্তনু পত্নী অমোঘাৰ ঔৰষত
এক তেজোদ্দিপ্ত বীৰ্জবান
তুমি জলময়ী সন্তান
তোমাৰ জন্ম কাহিনী
এক মনোৰম
যাৰ দুই পাৰ আজিও
শত সহস্ৰ বিতোপন
নানা কাহিনী জড়িত
কত কাব্য গাথাঁ অতীতৰ স্মৃতি
উদাস প্ৰেমৰ মুক্ত বিকাশ
বিজড়িত তোমাৰ কোমল বুকুত
তোমাৰ উৎস তিব্বতৰ
মানস সৰোবৰ হ্ৰদৰ পৰা
যাৰ সৌন্দৰ্য ভাষা অতুলনীয়
তুমি নিগৰিত হৈ মানস সৰোবৰৰ পৰা
লৈছা তুমি চাম্পো নাম
বৈ আহিছা তুমি তিব্বতৰ
পূব উপত্যকাৰ মাজেৰে
হিমালয়ৰ নামচাবাৰুৱা
শৃংগৰ ওচৰ
তুমি এক গভীৰ গিৰিখাতৰ
সৃষ্টি কৰি লৈছা দৃহংনাম
বৈ আহিছা তুমি পূব ফালৰ পৰা
দিবং আৰু লোহিতৰ লগত
মিলিত হৈছা শদিয়াৰ ওচৰত
তাতেই তুমি নাম লৈছা
ব্ৰহ্মপুত্ৰ
তথা অসমৰ বিখ্যাত নদী
মহা বাহু ব্ৰহ্মপুত্ৰ।

# কৃষ্ণচূড়া ফুলিল

দ্বিজেন কাকতি
প চামতা

আজি এজাৰৰ মনত
বেজাৰ নাই
কৃষ্ণচূড়া ফুলিলে
হাঁহে তাই
দুটি ওঁঠ
বেঙুনীয়াৰে বোলাই
নিজানত পানী জুৰলিত
মুখখনি চাই চাই।
সোণাৰুৰ হালধীয়া মালাধাৰ
খোপাতে মেৰিয়াই
কোন সেয়া
ৰাধিকা যায়?
নুঠিবা কানাই
কৃষ্ণচূড়াৰ কোমল ডালত বহি
বাঁহীটি বজাই
দূৰৈত দেখি ৰাধিকাই
পৰিবা পৰিবা বুলি বিনায়,
বেজাৰত মনটি
দহিহে যায়।



# বেশ্যা

প্ৰিয়ংকা প্ৰিয়া ভূঞা
দুলিয়াজান

বেশ্যাবোৰৰ ঘৰত কোন তাই
বিষণ্ণ - নয়না দাসী ?

ওৰে নিশাটো বহি থাকে
খোলা খিৰিকিখনৰ কাষত,
বজায় জেড সেউজীয়া এখন বীণ।
পুৰাৰ বেলিৰ দৰে ধুনীয়া
তাইৰ মুখখন,
ৰামধেনু -বুলীয়া তাইৰ
গাৰ সাজ।

কোঁ-কোৱাই উৰি যোৱা বিশাল শগুনটোৱে
খন্তেক থ'মকি ৰয়
তাইৰ সুৰত,
কুলিটোৱে বন্ধ কৰে তাৰ আপোনভোলা মাত
শোকত বিহ্বল হৈ
তাইৰ কৰুণ ভাগ্যত।

কিন্তু হায় !
বেগী কৰুৱা বতাহে ডেউকাত তুলি লৈ যায়
তাইৰ গান,
আৰু কোনেও নুশুনে
আৰু কোনেও নুবুজে
তাইৰ ভঙা হৃদয়ৰ কান্দোন।

**নৱম ভাগৰৰ**

**সম্পাদনা**

ব্ৰজেন কাকতি



# শৈশৱ

লক্ষীন্দ্ৰ গগৈ
ঢকুৱাখনা, লখিমপুৰ

যাক মই ছাঁৰ দৰে
কঢ়িয়াই ফুৰিছোঁ,
যিয়ে দিয়ে মোক
অসীম মাদকতা
আৰু
যাক পান কৰি পাওঁ
জীয়াই থকাৰ প্ৰেৰণা,
মন পক্ষী হৈ
ডেওদি উৰিছে সিয়েই
স্মৃতিৰে উজলি থকা
শৈশৱবোৰলৈ...।
কিমান যে মধুৰ আছিল
সেই দিনবোৰ,
মনৰ মাজত ৰিঙিয়ায়
প্ৰতিদিনে মোৰ।
লগৰীয়াৰ লগত খেলা
ল'ৰালিৰ খেলবোৰ,
নিজানত জিলিকে
মনৰ মাজত মোৰ।
খেলোঁতে লগা সেই
সৰু-ডাঙৰ কাজিয়া,
মনৰ মাজত ভাহি আছে
সুমধুৰ সুৰীয়া।।



# বনকৰা ছোৱালীজনী

অনিন্দিতা খনিকৰ হাজৰিকা
বৰদলৈ নগৰ,তিনিচুকীয়া

বনকৰা ছোৱালীজনী এতিয়া আৰু
তেনে হৈ থকা নাই,
বাতৰি কাকত আৰু
টিভিৰ নিউজ চেনেলবোৰৰ
মুখ্য বাতৰিৰ শিৰোনাম দখল কৰা
তাই এতিয়া এটা বিশেষ চেলেব্ৰেটী।
তাইৰ বস্ত্ৰহীন দেহটো
বাৰে বাৰে প্ৰদৰ্শিত হৈছে,
দেখুৱা হৈছে গৰমপানীত
বিদীৰ্ণ হোৱা পিঠিখন।
সৌকাৰ কোবত সেৰাপাতা
কলাফুলৰ দাগবোৰ আৰু
বাঢ়ি অহা পেটটোৰে
মৃত বনকৰা ছোৱালীজনী
ক্ৰমান্বয়ে চেলেব্ৰেটী হৈ পৰিছে।
জীৱন্ত কালত তাইক
কোনেও চিনি পোৱা নাছিল
তাইৰ বিৱৰ্ণ মুখখনৰ মাজেৰে
কোনেও চাবলৈ যত্নও কৰা নাছিল।
দেই-পুৰি যোৱা কোমল কলিজাখন
মাহৰ মূৰত পোৱা টকাকেইটা নিবলৈ অহা
দেউতাকক তাইৰ ক'বলৈ মন গৈছিল-
'পিতাই, মোকো লৈ ব'লা অ'...
মই আৰু ইয়াত নেথাকোঁ"!
কিন্তু নোৱাৰিছিল...
আবদ্ধ কোঠাৰ খিৰিকীৰ ৰেলিঙত বন্দী
তাইৰ আশা ,
তাইৰ সপোন...
পিঠি দেখুৱাই আঁতৰি যোৱা দেউতাকৰ জেপত
তেতিয়া যে
তাইৰ শ্ৰমবেচা এনুৱা টকা... !
তেওঁ কৈ গৈছিল-
"আইজনী..
কাম-বনখিনি ভালকৈ কৰিবি..,
ছাৰ-বাইদেউৰ কথা শুনিবি..."!
পখিলা খেদাৰ বয়সত হাতত ঝাৰু লোৱা
বনকৰা ছোৱালী..
তাইৰ কি সপোন থাকিব নোৱাৰে.. ?
তাইৰ কামবোৰ
কি
নিখুঁত হোৱাটো বাধ্যতামূলক নেকি.. ?
মালিকবোৰৰ ইচাৰাত নচা
বনকৰা ছোৱালীবোৰৰ জীৱন আৰু যৌৱন..
যেন
আধালিখা দস্তাৱেজ... !!
মালিকসকলৰ ভোগ,
ধৰ্ষণ শব্দৰ অৰ্থ নুবুজোতেই ধৰ্ষিতা..
যৌৱন অথবা প্ৰেম তাইৰ বাবে অভিশাপ।
তাইৰ উঠন বুকু ,
পূৰ্বঠ কলাফুল
মালিকবোৰৰ হেঁপাহ আৰু
মালিকনীৰ চকুৰ কুটা দাঁতৰ শাল।
তাই নেজানে অবৈধ মাতৃত্ব কি ?
অথচ তাইৰ পেটত একলা-দুকলাকৈ
বাঢ়ি আহে একোটা চন্দ্ৰকলা।
বাইদেউবোৰৰ

আঙুলিৰ মুৰত হিচাব থাকে
তাই কিমানদিন গা ধোৱা নাই,
সন্মান বচাবলৈ বিকল্পও থাকে
হয় খহাব লাগিব নহয় মৰিব লাগিব।
তাই যেতিয়াই মৰে...
দল সংগঠনবোৰ জাগি উঠে,
সৰব হৈ পৰে,
তাইৰ মৃত্যু হৈ পৰে ৰাজপথৰ প্ৰতিবাদ
ন্যায়ালয়ৰ শপতনামা
হস্পিটেলৰ পষ্টমৰ্টেম ৰিপৰ্ট,
সাংবাদিকৰ ৰহন লগা সংবাদ,
জেইলাৰৰ ব্যস্ততা
ক্ষমতাশালী অপৰাধীৰ বাবে কিছু ব্যৱস্থা...।
তাইৰ মৃত্যু এতিয়া
বহুতৰে বাবে মুকলি ব্যৱসায়
তাই এতিয়া বনকৰা ছোৱালী নহয়
তাই এটা ইছ্যু,
তাই এতিয়া এটা চেলেব্ৰিটী..।

দিন বাগৰে
বনকৰা ছোৱালীজনী
ফাইলত আবদ্ধ হৈ পৰে,
তাই মৰি মৰি জী উঠে
আকৌ মৰে,
অপৰাধীয়ে মুকলিকৈ
আন এজনী বনকৰা ছোৱালীৰ সন্ধানত নামে ।



# ধূলি..

ৰবীন দাস
দিল্লী

মেজত ধূলি
চকীত ধূলি
ভূগৰ্ভত ধূলি
মহাকাশত ধূলি
ছায়াঘন ধূলি
মায়াময় ধূলি... !

সূৰ্য্যাস্তৰে নামি অহা
অমাবস্যাৰ দিশহাৰা
এক ৰহস্যময়
অন্ধকাৰ গধূলি.. !

বগা কাপোৰৰ
ওপৰতো ধূলি
ছয় ফুট মাটিৰ তলৰ ভেঁকুৰতো
হাত, ভৰি
ঢাকি থোৱা ধূলি,
চকু ধূসৰ কৰা
অজ্ঞানতাৰ ধূলি... !

ধূলিক জোকাই
ঠেলি নিদিবা ধূলি বুলি
আমাৰ অস্তিত্বও যে তেনেই নগন্য
এটি মাথো ধূলি।



# সন্মান

ৰেণুকা কলিতা
অভয়পুৰ, হাজো

ঠিকেই কৈছে আপুনি...
মই আপোনাক সন্মান দিব নোখোজোঁ...।
আপোনাৰ কাষত কুচিমুচি ৰৈয়ো নাথাকোঁ,
আপোনাৰটোকে শুদ্ধ বুলি মৌন সমৰ্থনো
নজনাওঁ।
মোৰ ইচ্ছা বা অনিচ্ছাক
কেতিয়াও কবৰ দিব নোখোজো,
হয়তো আপুনি ক'ব
মই উদ্ধত...!
আৰু হয়তো ক'ব
গুৰু-গোঁসাই নমনা এইজনী...!
কওঁক যি কয়
মোৰ কি আহে কি যায়...
কাৰণ এইকেইটা মোৰ আইয়ে কৰিছিল।
আইয়ে সকলোকে সমৰ্থন কৰিছিল
সেই বাবেই কথা কোৱাৰ স্বাধীনতা আইৰ নাছিল।
আই আচলতে আখলৰ মানুহ...
আখলতহে থকা উচিত।
আই পথাৰৰ মানুহ,
পথাৰতে থকা উচিত।
ৰ'দে পোৰা আইৰ দেহত থাকে জানো বুকুৰ
আপোন কথা?
আখলত যেতিয়া আয়ে কান্দিছিল,
কোনে দেখিছিল আইক?
কেচাঁ খৰিৰ ধোঁৱাবুলীয়া চকুলো আছিল সেয়া।
আইৰ একো নাছিল
আনন্দ অথবা বিষাদ...!
কেৱল দি গৈছিল সকলোকে সন্মান..
কেৱল সন্মান...!
কিন্তু সন্মান অন্তৰৰ পৰাহে দিয়া হয়,
যিটো কথা আয়ে মোক কৈছিল -
"সন্মান তেওঁকহে দিবি,
যিয়ে তোকো সন্মান দিব"।

# কবিতা

সঞ্জীৱ বৰুৱা
বিশ্বনাথ



কোঠাৰ খিৰিকীখন খুলি দিলেই
সোমাই আহিছিলা তুমি
মোৰ হৃদয়লৈ...।
মোৰ চোতালত
ছাঁ-পোহৰৰ খেলা খেলি
পাহাৰখনৰ সিটো মুৰত
পশ্চিম আকাশৰ বেলিটোৰ স'তে হেৰাই
গৈছিলা।
তোমাক তেতিয়া
প্ৰকাণ্ড হাতী এটা যেন লাগিছিল...!!
অট্টালিকাবোৰ বাঢ়ি অহাৰ লগে লগে
মোৰ চোতালতে বাট হেৰাল!
আৰু দূৰ-দিগন্তৰ কোনোবা সীমনালৈ
গুচি গ'লা তুমি...!
থিক হেৰোৱা এখনি অৰণ্যৰ দৰে...!!
অৰণ্য...!
তুমিচোন পাহাৰৰ কান্দোন,
নদীৰ উচুপনি
গছৰ বিননি...
শিলৰ দৰে টান
গোটা মৰা শোকবোৰ
বুকুত সাৱটি
জীৰ্ণ-শীৰ্ণ মৰুভূমি হ'বলৈ গৈ আছা ।
আৰু মই এতিয়া
সু-উচ্চ অট্টালিকাৰ চাঁদত বহি
ঘূৰাই বিচাৰিছো মোৰ উশাহ...!
মোৰ নাতিটোৰ সাঁজ যোৰ
কিহেৰে সজাম কোৱা...?
তাত যে নাথাকিব
তুমি দিয়া জীৱনদায়িনী ঔষধ।
নাথাকিব তোমাৰ ওঁঠৰ ৰঙৰ দৰে
সুকোমল সেউজীয়া!!
তুমি কোৱা..
অৰণ্য কাৰ বাবে..?
কোনে তোমাক
যুদ্ধখন শিকালে ?
যুদ্ধ মানেই ধ্বংস
ধ্বংস মানেই আমাৰ মৃত্যু!!
তুমিতো ধ্বংস কৰা নাই...
কাৰণ...
তুমি জীয়াই ৰাখিব জানা,
আৰু আমিবোৰে ধ্বংস কৰিব জানো,
কিন্তু কাকো জীয়াই তুলিব নোৱাৰো।



# পথভ্ৰষ্ট

ৰাজশ্ৰী শৰ্মা
গোলাঘাট, বনগাঁও

কল্পনাৰ কাৰেং ঘৰ
পাতোঁ আৰু ভাঙোঁ..।
হতাশা আৰু হুমুনিয়াহ লৈ
মাথোঁ ক্ষণবোৰ গণোঁ..।
উৰণীয়া মনটিয়ে উৰিব খোজে...
আশাৰ পৰিধি ভাঙি... !
সু-উচ্চ আকাশত
মুহূৰ্ততে পাখি ভাগি সৰিও পাৰোঁ...।
নিৰাশাৰ গভীৰ অৰণ্যত
পোহৰৰ ৰেঙনি দেখি
আগবাঢ়ি যাওঁ,
আৰু যিমানেই আগুৱাই যাওঁ
অটব্য অৰণ্য সিমানেই পাওঁ।
পথভ্ৰষ্ট পথিক মই
দিশহাৰা নাৱিক,
বিছাৰি  নাপাওঁ পথ
উপায় ৰহিত।



# জোনাকৰ বৰষুণ

কুশল ঢেকিয়াল ফুকন
ডিব্ৰুগড়

তুমি মোৰ সপোন
হৃদয়ৰ সাজোন কাচোন,
যেন তুমি মোৰ মনৰ দাপোন
আপোন আপোন... !

তোমাৰ ৰং তুলিকাৰে অঁকা
কত যে সেউজীয়া সপোন
মোৰ বুকুৰ কুসুম... !

তুমি মোৰ সঁচাকৈ আপোন
হৃদয়ৰ সাজোন কাচোন
সমস্ত জীৱনৰ যেন
জোনাকৰ বৰষুণ... ।

# স্বাধীনতা

গৌৰিত গগৈ
ডিব্ৰুগড়

স্বাধীনতা মানে নহয় মাথোঁ
মানুহৰ ওপৰত মানুহৰ প্ৰভূত্ব বিস্তাৰ
ক্ষয়িষ্ণু জনতাৰ ওপৰত শোষণৰ
অধিকাৰ।

স্বাধীনতা সজাত বন্দী জীৱন নহয়
স্বাধীনতা ভূমিৰ পৰা ভূমা স্পৰ্শৰ প্ৰয়াস
সমস্বৰে গাব পৰা প্ৰাণময় সংগীত
যি হৃদয়ে হৃদয়ে চিৰন্তন হয় প্ৰবাহিত।

স্বাধীনতা শিশুৰ মুখৰ নিষ্পাপ হাঁহি,
মানৱতাৰ জয়গান, মানুহৰ প্ৰগতি।

# জীৱন বুলিলে কি বুজা

জ্যোতিৰূপা কলিতা
বশিষ্ঠ, গুৱাহাটী

জীৱন বুলিলে কি বুজা?
ভালপোৱাৰ বৰষুণ জাক
নে এৰি অহা হালধীয়া পথাৰখন...?
ঘন চিৰিকাৰ মাত
নে মৌনতা ভাঙি শব্দ কৰা মাজ
নিশাৰ ঘড়ীটো..?

সেই যে ল'ৰালি কালৰ ধেমালিবোৰ,
কত যে হাঁহি
কত যে স্মৃতি...।
জীৱনৰ চাকনৈয়াত
ক'ত যে হেৰাল সেই হাঁহি,
হাঁহি ধেমালিবোৰ হৈ পৰিল অস্পষ্ট
এক ধূসৰ ছবি...
কেৱল মাথো কংক্ৰিট!
তথাপি এবাৰ সুধিব বিচাৰো তোমাক
জীৱন বুলিলে কি বুজা...?
নৈ পাৰত থকা ৰঙা বেলিটো
নে মৌচুমী বতাহে কঢ়িয়াই অনা এক
সুবাসিত সন্ধিয়া..?
কৃষ্ণচূড়াৰ মাজৰ সেই ৰাস্তাটো
নে মহাবাহুৰে আঁকোৱালি লোৱা
নীলাবোৰ..?



# তাহানিৰ চোতালখন

কল্পনা দেৱী গোস্বামী
হোজাই

মোৰ মানস পটত
জিলিকে তাহানিৰ
এৰি অহা চোতালখন,
য'ৰ ধূলি মাটিত উপজিছিল
মোৰ শৈশৱ, যৌৱন... !
চেংগুটি খেলা,
হাউ গুডু খেলা চোতালখন
যিখন চোতালত লাগি আছে
মৰণাৰ গোন্ধ,
তাঁত বাতি কঢ়া শিপীনীৰ
শৰীৰৰ ঘাম ।
চোতালৰ পদূলিত থকা
শেৱালিৰ মৃদু সুবাস,
চোতালৰ চাৰিও দিশে
ভঁৰালঘৰ, গোহালিঘৰ,
ৰান্ধনী ঘৰ, তাঁতশালৰ ঘৰ।
পুৰা গধূলি ধূপ ধূনাৰ গোন্ধে
আমোলমলাই থকা গোসাইঘৰ,
য'ত প্ৰতিধ্বনিত হৈছিল
হৰিনামৰ অমিয়া সুৰ
ক'লৈ গ'ল সেই চোতালখন
য'ত বহি ইজনে সিজনৰ লগত
হিয়া দিয়া নিয়া কৰিছিল।
তাহানিৰ সেইখন চোতাল
য'ত বহি আইতাৰ মুখত
জোনাবাইৰ সাধু শুনিছিলোঁ
পপীয়া তৰা দেখি
সাত তপাৰ মূৰ গনিছিলো
পাটি পাৰি বিচনীৰ বা লবলৈ
আজি দেখোন চোতালখনেই
হেৰাই গ'ল।
সেইখন চোতালৰ পৰাই
"বগলী বগা ফোঁট দি যা"
বুলি নখৰ দাপোন চাইছিলোঁ
বিয়া সবাহত জাউৰিয়ে
জাউৰিয়ে বিয়া নাম জোৰানাম গাবলৈ,
ঢেঁকীৰ চাবত কপি উঠা
তাঁতৰ মাতত সাৰে থকা
সেইখন চোতাল
ক'তনো হেৰাল ?
কংক্ৰিটৰ মাজত
আধুনিকতাৰ ধামখুমীয়াত
আমিবোৰ আচলতে
ভোগ বিলাসী হ'লোঁ
আনৰ দুখত দুখী
আনৰ সুখত সুখী হৈ
সুখ দুখ ভগোৱা
চোতালখন তেনেই
সৰু হৈ গ'ল আজি।

## সংস্কাৰধ্বনি ফাউণ্ডেচন কাৰ্যবাহী সমিতি

**প্ৰতিষ্ঠাপক/সভাপতি**
হিতেশ গোস্বামী

**সাধাৰণ সম্পাদক**
গুনীন ফুকন

**উপ-সভাপতি**
চুমি শৰ্মা গোস্বামী

**মুখ্য উপদেষ্টা**
ড° নগেন্দ্ৰনাথ শৰ্মা

**উপদেষ্টা মণ্ডলী**
সুকীৰ্ত্তি দাস
কিৰণ কুমাৰ গগৈ
ড° জগদীশ পাটগিৰি
ড° জয়ন্তীমালা চক্ৰৱৰ্তী

## কাৰ্যবাহী সদস্য

লিলি শৰ্মা
গায়ত্ৰী কৌশিক
ভনিতা গোস্বামী
জয়দেৱ মালাকাৰ
শ্যামন্ত দেৱ বৰুৱা

'সহস্ৰ কবিৰ সহস্ৰ কবিতা' এই গ্ৰন্থখনি আমাৰ এক বিনম্ৰ প্ৰয়াস।

অজানিতে আৰু অজ্ঞনতাৰ বাবে হ'ব পৰা ভুল-ভ্ৰান্তিৰ বাবে আমি সকলোৰে ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছোঁ।

আপোনালোকৰ দৃষ্টিত নিবদ্ধ হোৱা যিকোনো ভুল যেনে— কবিতাৰ মানদণ্ড, শব্দ, ব্যাকৰণ, ভাষা, বাক্যৰ গাঁথনি ইত্যাদি আমাক অৱগত কৰিলে আমি কৃতাৰ্থ হ'ম আৰু অসমীয়া ভাষা-সাহিত্যৰ পাঠকসকলো উপকৃত হ'ব।

আমাৰ বিনম্ৰ প্ৰয়াস অসমীয়া ভাষাক উপযুক্তভাৱে ব্যৱহাৰ কৰি নতুন প্ৰজন্মক মাতৃভাষাৰ সোৱাদ দিয়া।

বৰ্তমানৰ ডিজিটেল সংস্ক ৰণসমূহ একত্ৰিত কৰি এক হাজাৰ কবিৰ এক হাজাৰ কবিতা সন্নিৱিষ্ট কৰি এই গ্ৰন্থখনি ছপা আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা লৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচন আগবাঢ়িছোঁ। আপোলোকৰ সহযোগ আৰু পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব।

**—সংস্কাৰধ্বনি ফাউণ্ডেচন**

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com